মে - ২০০০ - ১০.০০ টাকা

চান্দমামা

Every Saturday will be FUNDAY for children

of Maharashtra and elsewhere



An 8-page supplement to MID-DAY
with a lot of variety and in glorious colour
designed by CHANDAMAMA,
is being issued from MARCH 11, 2000.

HERE'S AN INVITATION OFFER
TO READERS OF **MID-DAY**

Subscribe to **CHANDAMAMA** (in any one of the 12 languages) at the SPECIAL RATE of Rs 96* for 12 issues (instead of Rs.120).

What you have to do:

Cut out the coupon appearing in
MID-DAY – FUNDAY supplement
and send it to the address below
along with a cheque/DD for Rs 96.

PUBLICATION DIVISION
CHANDAMAMA INDIA LTD.
VADAPALANI, CHENNAI 600 026

*PLEASE NOTE: The offer closes on May 31, 2000

চান্দমামা

বৰ্ষ ২৩ মে ২০০০ সংখ্যা ৬

এই সংখ্যাত আছে

সাধু

সচাঁ দৃষ্টি পৃষ্ঠা ০৯
পুৰুষ মানুহ পৃষ্ঠা ১৭
ভাল হওয়াৰ ফল পৃষ্ঠা ৩১
বুদ্ধি বল পৃষ্ঠা ৩৯
অকল মুখেৰে পৃষ্ঠা ৪৩
সচাঁ বিচাৰ পৃষ্ঠা ৫২
শোনা হলেও শুনিব বিচাৰে পৃষ্ঠা ৫৫

ধাৰাবাহিক

স্বৰ্নসিংহাসন - ৪ পৃষ্ঠা ১৯

পোৰনি ধাৰাবাহিক

মহাভাৰত পৃষ্ঠা ৪৫

ঐতিহাসিক ঘটনা বোৰ

ভাৰত - গাথা পৃষ্ঠা ২৬
কাবেৰী নদীৰ তটভাগে - ৬ পৃষ্ঠা ৩৫
ভাৰত : তেতিয়া আৰু এতিয়া পৃষ্ঠা ৬০

বিশেষ আলোচনা

চাঁদমামাৰ সংবাদ পৃষ্ঠা ০৬
এটো মাহৰ জন্ম যাৰ পৃষ্ঠা ৫৯
বিশ্বেৰ বাতায়নক পৃষ্ঠা ৬৪
ফটো নামাকৰন প্ৰতিযোগিতা পৃষ্ঠা ৬৬

এটো মাহৰ বিশেষ আকৰ্ষণ

সচাঁ দৃষ্টি
(বেতাল কথা)

ভাল হওয়াৰ ফল

শোনা হলেও
শুনিব বিচাৰে

প্ৰকাশ কৰা !
পুৰস্কাৰ লোৱা ! চান্দমামা

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai-600 026 on behalf of Chandamama India Limited, Chandamama Buildings, Vadapalani, Chennai-600 026. Editor : Viswam

চান্দমামা

এপ্ৰিল ২০০০

উত্তৰ

১. গোস্বামী তুলসীদাস আৰু বিল্বমঙ্গল

২. ক. বলৰাম অভিমন্যুৰ মামা

খ. উগ্ৰসেন প্ৰদ্যুম্নৰ কঁকাদেউতা

গ. ঘটোৎকচ শিশুপালৰ ভ্ৰাতুষ্পুত্ৰ

ঘ. পৰীক্ষিৎ কীচকৰ ভাই-ৰ পৌত্ৰ

ঙ. কৰ্ন সুভদ্ৰাৰ খুড়োকৰ লৰা

৩. ১. চৰকে লিখা 'চৰক সংহিতা' প্ৰথম শাতাব্দীৰ কনিষ্কৰ ৰাজত্বকালত

২. সুশ্ৰুত লিখা সুশ্ৰুত সংহিতা'' অনুমানিক দ্বিতীয় শতাব্দীৰ

৩. কলহন লিখা ''ৰাগতৰঙ্গিনী'' কাশ্মীৰৰ ৰাজাবংশৰ ধৰাবাহিক ঘটনাবলী দ্বাদশ শতাব্দীতে কলহন আছিল।

৪. কৌটিল্য (চানক্য) লিখা ''অৰ্থশাস্ত্ৰ'' খ্ৰীষ্টপূৰ্ব চতুৰ্থ আৰু তৃতীয় শতক।

৫. ভৰতমুনি লিখা নাট্যশাস্ত্ৰ অনুমান যে তেওঁ খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতক আৰু প্ৰথম খ্ৰীষ্টাব্দত মাগত আছিল।

সৃজনশীলতাৰ প্ৰকাশ

চান্দমামা পাঠক-পাঠিকা সকলক আমন্ত্ৰন জনোৱা হ'ল তলত লিখা বিষয়ত কল্পনা আৰু বাস্তবক মিলাই নতুন কিবা কৰিবলৈ

আলোকচিত্ৰ

নামকৰন প্ৰতিযোগিতা

১. চিত্ৰ নামকৰন প্ৰতিযোগিতাৰ বাবে উঠি অহা চিত্ৰশিল্পি সকলে দুটা চিত্ৰ পঠাব পাৰে, এটা আনটোৰ লগত মি'ল থাকিব। চিত্ৰদুটাৰ বিষয়ে চিত্ৰশিল্পীৰ নিজা মন্তব্য অবশ্যে থাকিব চিত্ৰ দুটাৰ লগত।

দুটা চিত্ৰৰ বাবে
পুৰস্কাৰ ৫০০ টকা
যিকোনো সময়তে চিত্ৰদুটা পঠাব পাৰে।

২. পাঠক - পাঠিকা সকলে সিঁহতৰ নিজৰ জীৱনৰ কোনো সচা কাহিনী অভিজ্ঞতা বা গল্প ১৫০-১৭৫ শব্দৰ মাজত লিখি পঠাব পাৰে। মনত ৰাখিব লাগিব, ৰচনা বা কাহিনী বেলেগ কোনো সাধু বা কাহিনীৰ লগত মিল নাথাকিব, কিন্তু ইয়াৰ মূল অৰ্থ হব তলৰ নীতি বাক্যৰ দৰে

বৰ্তমান ৰচনা প্ৰতিযোগিতাৰ বাবে নীতিবাক্য বাদুলিয়ে কি জানে আদৰে সুবাদ অথবা,

দূৰৰ পাহাৰ সদাই ধুনীয়া

পুৰস্কাৰ ৫০০ টকা

ৰচনা 'চান্দমামা' ৰ ওচৰত পাব লাগিব ৩০ মে ২০০০ ৰ মাজত পুৰস্কৃত ৰচনা চান্দমামাৰ অহা জুলাই ২০০০ সংখ্যাত প্ৰকাশিত হব।

সংস্থাপক : চক্ৰপানি, বি. নাগি ৰেড্ডি

চান্দ মামাৰ আগৰ চিন্তাধাৰা

চন্দামামা এটা সপোন আছিল আৰু এইটোৱে বনাই সকলো ভাৰতীয় শিশুক ভবিষ্যতৰ অপোনৰ একতাৰ বাটত। এইটোৱেই শিখাই ভাৰতীয় শিশুক অতীতৰ একতাৰ বাটত থাকিবলৈ। যদি শিশুৱে নিজৰ অভিজ্ঞতাৰ অতীত আৰু আশাবাদী তেওঁলোকৰ ভবিষ্যতৰ, বৰ্তমান কেনেকৈ তেওঁলোকৰ জীৱনটো গঢ়িব পাৰে সেইটো সিহঁতে জানে।

অৰ্দ্ধশতিকাৰ পিছত চান্দামামা এনেকুৱা পৰ্য্যায়ত উপনীত হৈছিল যে সকলোকে শুকতাৰ সম্মন্ধয়ত ৰখা। বাৰটা বিভিন্ন ভাৰতীয় ভাষাৰ লগত মিলোৱা হৈছিল সংস্কৃত আৰু ইংৰাজী ভাষা। চন্দামামা এনেকুৱা এটা সংস্কৃতিক হৈ গলযে নতুন শতিকাৰ বহু পাঠকাৰ লগত আপোন হৈ পৰিল। আজিৰ দিনত চন্দামামাৰ জীবনৰ প্ৰতিটো মুহুত্তই জাক জমকতাৰ সম্মুখীন হয়। ইয়াৰ বাবেই জনসাধাৰনৰ পৰা খ্যাতি লাভ কৰিছিল। প্ৰতি শনিবাৰে “মিড ডে” (বুম্মাইৰ) য়েৰ আঠখনকৈ পাত প্ৰকাশ পাব। চান্দমামাৰ লগত পানডে।

তোমাৰ আলোচনী প্ৰবেশ কৰিছে ভিতৰুৱা গহীন বিশ্বৰ আৰু প্ৰথম মূহত্তৰ আৰু প্ৰদশনী গ্ৰহন কৰিছিল বহুসংখকে কোনো ৰাষ্ট্ৰিক প্ৰদত্ত কৰা।

চন্দামামাই শিশু সকলক শিক্ষা বচিয়াই আনে পৰীক্ষাৰ জৰিয়তে নহয় উদাহৰনৰ জৰিয়তেহে আৰু চকুৰ পানীৰে নহয় হাঁহিৰেহে। এইটোৱেই কয় চন্দামামাত অতীতৰ মহান ঘটনাবোৰ থাকে কিন্তু বুৰঞ্জীমূলক ঘটনাবোৰ নাথাকে। এটো এঠা নতুন লক্ষ্য আছে বহুত ওপৰলৈ যোৱা।

চান্দমামাৰ সংবাদ

গলিত হিমালয়

মহাকাশত ভৰিদিয়া মানুহজনক ধন্যবাদ জনাওঁ, কাৰ্বনডাই আকসাইড আৰু গ্ৰীন হাউচ তেখেতে ওপৰলৈ পাঠয়ইদিন ক্লৱছেল

গ্লেচিয়াছ হিমালয়ৰ ওপৰি ভাগত গলিবলৈ আৰম্ভ কৰিছিল। সিন্ধু নদীৰ, ১৯৯৯ চনত, আগতকৈ বেছি ইয়াৰ পানীৰ পৰিমান আগৰ তুলনাৰ বেছি হৈছে। পৃথিবীৰ পৰিদৰ্শন সংস্থাই মানুহক সতৰ্ক কৰিছে যে যদি হিমালয়ৰ ওপৰি ভাগৰ অংশখিনি ধ্বংস কৰিবলৈ বন্ধ নাকৰে তেতিয়া হলে তাৰ পৰা মানুহবোৰক আতৰাই দিয়া হব।

অপহৰন কৰীৰ বাবে বেয়া খবৰ

স্কেনিন মেছিনে এজন যাত্ৰীয়ে কঢ়িয়াই লৈ যোৱা সকলো বস্তুয়েই ধৰা পৰে। ড্ৰাগৰ পৰা আৰম্ভ কৰি সকলো বস্তুয়েই। যদিওঁ কোনোবাই কাপোৰৰ তলত লুকুৱাই কিবা বস্তু

লৈ যায় তথাপিওঁ ধৰা পৰে। আনহাতে অন্য যিবোৰ মেচিনে ধৰিব নোৱাৰে, অতি সহজে এই মেচিনে ধৰা পেলাব পাৰে।

কলা মানুহৰ বাবে সু-খবৰ

জন্মৰ পৰা যি বোৰ লৰা ছোৱালী কলা

হয় ভবিষ্যতে সিঁহতে কানেৰে শুনিবলৈ পাব পাৰে। বৃটিছ বৈজ্ঞানিক সকলে এটা সৰু কান আবিষ্কাৰ কৰিছে যিটো লৰা ছোৱালীৰ কানৰ ভিতৰত ৰাখিব পাৰে। ইয়াক চকুৰে দেখিব নোৱাৰি। এইটো এটা বেটেৰীৰ সহায়তহে কাম কৰে। এই সডুলিটো আন সডুলিতকৈ অলপ বেলেগ।



আমাৰ পাঠক-পাঠিকা সকলৰ মনত এটা পোহৰ

১৯৯৯ চনৰ ডিচেম্বৰ মাহৰ পৰা ওলাই থকা এইখন হ'ল চান্দমামাৰ পঞ্চম সংখ্যা। আমাৰ কোনো সন্দেহ নাই যে আগৰ চাৰিটা সংখ্যা পঢ়ি তোমালোকে খুচি হৈছা। আৰু তোমালোকে লক্ষ্য কৰা উচিত যে এই আলোচনীখনৰ যোৱা ৫০ বছৰ ধৰি বহুতো নাম আছিল, এতিয়া আলোচনীখনৰ বহুতো পৰিবৰ্তন কৰা হৈছে আৰু বহুতো চিত্ৰ আৰু ব্যাখ্যাৰে আলোচনীখন উলিওৱা হৈছে - আমি এইটো কোৱা নাই যে এইটো সবোতকৈ ভাল কিতাপ। আমি অহা সংখ্যা বিলাক যোৱা সংখ্যা বোৰৰ পৰা উন্নত কৰিবলৈ চেষ্টা কৰিম। আমি যোৱা এশ দিনত পোৱা চিঠিবিলাকে প্ৰমান কৰে যে আলোচনীখনৰ উন্নত অলক্ষিত হোৱা নাই। আমি অনুভব কৰিব পাৰিছো যে আমাৰ আলোচনী খনৰ উন্নত নিৰ্ভৰ কৰিব যদি পাঠক-পাঠিকাসকলে জনায় যে তেঁওলোকে আলোচনীখনত কি অন্তভুক্ত কৰিব বিচাৰে। আমাৰ উদ্দেশ্য সাধনৰ বাবে তোমালোকে কি তোমালোকৰ মনটো নোখোলা? আমি আশা কৰো যে তোমালোকৰ প্ৰত্যেকে তলত দিয়া প্ৰশ্নবিলাকৰ উত্তৰ পটাবা, য'ত চিন দিয়া আছে তাত ফালিবা, আৰু সোনকালে ডাকত পাঠবা। তোমালোকে আমি বনোৱা অনুশীলন বিলাক সহজ পাবা। তোমালোকে নিৰ্দিষ্ট বৰ্গত অকল চীন ✓ মাৰিবা।

I. সংখ্যাটো মোৰ তাত আহিছে ☐ বৰঁ গুনিৰে
মই সংখ্যাটো কিনিছো ☐ বাতৰি কাকত বেচা লৰাৰ পৰা
মই সংখ্যাটো কিনিছো ☐ বাতৰি কাকতৰ দোকানৰ পৰা
মই সংখ্যাটো ধাৰ লইছো ☐ মোৰ এজন বন্ধু /পুঁথি ভভালৰ পৰা

II. মই সমায়/কেতিয়াবা কেতিয়াবা পঢ়ো
☐ মজাৰ সাধু ☐ সাধু কিতাপ ☐ বেলেগ লৰা ছোৱলীৰ আলোচনী .... (নামটো লিখা)

III. মই আলোচনী পঢ়ো ইংৰাজী/ তেলেগু /তামিল / মালায়ালম /কানাড়া / হিন্দী / মাৰঠী/ গুজৰাটি / বেংগলী /আসামীজ /উড়িয়া / সংস্কৃত
(তুমি পছন্দ কৰা ভাষাটোত চীন দিয়া)

IV. যোৱা চাৰি মাহত, মই পঢ়িছো
☐ ৪ টা সংখ্যা ☐ ৩ টা সংখ্যা
☐ ২ টা সংখ্যা ☐ ১ টা সংখ্যা

Cutout on the dotted line

V. মই তলৰ বিশিষ্ট সংশবোৰৰ গুৰুত্ব দিও.

☐ ধাৰাবাহিক ☐ বহুতো ভূমিৰ পৰা সাধু ☐ পুৰান-শাস্ত্ৰ
☐ বিক্ৰম বেতাল ☐ অসমপূৰ্ন অদ্ভুত কাহিনী
☐ ভাৰতৰ বীৰত্বপূৰ্ন কাহিনী ☐ বেলেগ সাধু ☐ চমক সংবাদ
☐ ভাৰত তেতিয়া আৰু বৰ্তমান ☐ ভাৰতৰ আবিস্কাৰৰ প্ৰশ্নোত্তৰ
☐ সবোতকৈ ভাল ইংৰাজী ফালে ☐ জীবন-বৃত্তান্ত সম্বন্ধীয় ☐ নদীৰ সাধু
☐ অজিৰ পৃথিবী ☐ বিমোৰ হুৰা/বিৰোধ ☐ বলা আমি জানো

(তোমলোকে বেছি পছন্দ কৰা বিলাক এটাৰ পিছত এটাকৈ ১ ৰ পৰা ১৬ লৈকে চীন দিয়া)

VI. মই চান্দমামাত তলৰ সংশাবিলাক অনুৰ্ভুক্ত কৰিব বিচাৰো : (আগৰ ক্ৰম অনুসাৰে)

i. .... iv. ....
ii. .... v. ....
iii. .... vi. ....

VII. মই আলোচনীৰ ওপৰত থকা চিত্ৰটো এনেধৰনে বিচাৰো :

☐ আচৰিত ঘটনাৰ পৰা এটা পৰ্যায় ক্ৰমত ☐ পুৰান শাস্ত্ৰৰ পৰা দৃশ্য
☐ যিকোনো বেলেগ সাধুৰ কামৰ পৰী

VIII. মই অনুভব কৰো যে এখন আলেচনীৰ দাম ১০ টকা ☐ বৰ বেচি
☐ ধিকই ☐ কম কৰিব লাগে (সস্তা দামৰ পাত ব্যৱহাৰ কৰি)

IX. i) মই এজন গ্ৰাহক ii) মই এজন গ্ৰাহক বিচাৰো

নাম .... বয়স ....
শ্ৰেনী .... বিদ্যালয় ....
ঠিকনা ....
....
.... পিন .... ৰাজ্য ....

iii) মই বিদ্যালয়ত যাও ☐ মোৰ মঠৰ চাইকেলেৰে ☐ বিদ্যালয়ত বাছেৰে
☐ চিটি বাছেৰে ☐ মোৰ মা-দেউতাকৰ গাড়ীৰে

iv) মই নিজৰ খৰচৰ বাবে পাও ☐ ১০০ টকাৰো কম ☐ ১০০ টকাতকৈ বেছি

মাদেউতাকৰ চহী চহী

বেতাল কথা

ভাল দৃষ্টি

দৃঢ়ব্রতী ৱিক্রমাদিত্য গছৰ ওচৰত ঘুৰি আহে আকৌ. গছৰ ওপৰৰ পৰা মৰা দেহটো নমাই নিজৰ কাঁন্ধৰ ওপৰত ৰাখি আগৰ দৰে শ্মশানৰ ফালে যাত্ৰা কৰে। তেতিয়া বেতালে কৈ ওঠে, "ৰাজন, কি আপোনাৰ লক্ষ্য, আৰু কোন উদ্দেশ্যপূৰনৰ বাবে আপোনি ইমান পৰিশ্ৰম কৰি গৈ আছে সেয়া জানিবলৈ বহুতো চেষ্টা কৰিছো, কিন্তু জানিবলৈ পৰা নাই । যেতিয়াই আপোনি লক্ষ্যপূৰনৰ ওচৰা ওচৰি হয় তেতিয়াই নিজৰ উদ্দশ্য লক্ষ্যক পাহৰিঁ যায়। কেতিয়াও আপোনাৰ লক্ষ্য পূৰন হোৱা নাই। আপোনাৰ

দৰে কিছুমান মানুহ আছে যোনে বহুতো পৰিশ্ৰম কৰাৰ পাছতও লক্ষ্য পূৰনৰ ওচৰা ওচৰি হৈও সফল হব নোৱাৰে। সুবন্তী নামেৰে এজনী ৰাজকুমাৰী এনেধৰনৰ আছিল। তাইৰ কাহিনী কৈ আছো, মন দি শোনা। শুনিলে আপোনাৰ পৰিশ্ৰম দূৰ হব আৰু আপোনি নিজে সজাগ হব। শোনা তেতিয়াহলে ....”

বেতালে তেখেঁতৰ কাহিনী আৰম্ভ কৰে: চন্দ্ৰগিৰিৰ ৰজা চন্দ্ৰসেন এজনী মাত্ৰ ছোৱালী তাইৰ নাম সুবন্তী। কোনো লৰা নথকাৰ বাবে ৰজায় তাইক লৰাৰ দৰে ডাঙৰ দীঘল কৰিছিল। যিকোনো ৰাজপুত্ৰৰ নিচিনা ঘোড়া চলোৱা, ধনুৰ্বিদ্যা আৰু বেলেগ বেলেগ বিদ্যাত সুবন্তী দক্ষ হৈ ওঠে, শিকাৰ কৰিবলৈ তাই বৰ ভাল পায়। দেউতাৰ লগত মৃগয়াত গৈ হৰিনাৰ লগত হিংস্ৰ জন্তু বিলাকক শিকাৰ কৰে। তাইৰ সাহস, যুদ্ধকৌশল আৰু বীৰত্ব চাই সকলোৱে আচৰিত হৈ যায়।

ৰাজকুমাৰী যুবতী হৈ ওঠে। ৰজা আৰু ৰানী দুয়োৱে তাইৰ বিয়াৰ বাবে চিন্তা কৰিবলৈ আৰম্ভ কৰে। পুৰুষৰ বেশত সুবন্তীৰ ঘুৰিফুৰা আৰু শিকাৰ কৰিবলৈ যোৱাটো ৰজাৰ এতিয়া ভাল নালাগে। কোনো ওচৰচুবুৰীয়াৰ ৰাজ্যৰ ৰাজপুত্ৰৰ লগত তাইৰ বিয়াৰ কথা চলি আছিল, কিন্তু তাইৰ পুৰুষৰ নিচিনা ব্যৱহাৰৰ বাবে বিয়া ভাঙি যায়। সেই সময়ৰ পৰা মহাৰানীৰ বৰ চিন্তা হৈ থাকে।

এদিনাখন সুবন্তীয়ে দেখা পায় যে তাইৰ মায়ে কিবা চিন্তা কৰি আছে। সেই সময়ত মাকৰ ডিঙিত হাত ৰাখি সান্ত্বনা দি কলে, “মোৰ বিয়াৰ বাবে চিন্তা কৰিবলৈ ইমান কি প্ৰয়োজন মা। দেউতাৰ সিংহাচনত আৰোহন কৰিব পৰা যোগ্য উত্তৰাধিকাৰীক মই এদিনাখন নিৰ্বাচন কৰি লৈ আহিম।”

সুবন্তীৰ বহু দিনৰ ইচ্ছা তাই অকলে জংগলত যাব চিকাৰৰ বাবে। তাই এদিনাখন ৰাতিপুৱা পুৰুষৰ বেশত ঘোড়াত উঠি জংগলৰ ফালে যায়।

সেইটো আছিল কাতি মাহ। সকলো বন জংগল সেউজীয়া, বহুতো ৰঙৰ ফুল। কুঁৱলী থকাৰ বাবে জংগলৰ মাজত এটা ধুনীয়া দৃশ্যৰ প্ৰকাশ ঘটে। সুবন্তীয়ে শিকাৰ নকৰি প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি থাকে। গুচি যায় জংগলৰ বহুতো ভিতৰত। তাইৰ ভাগৰ লাগি যায়। ঘোড়াৰ পৰা নামি সিটোক এৰি দি গছৰ

তলত বহে; তাৰ পাছত ঘাহত শুই পড়ে। অলপসময়ৰ মাজত টোপনি আহি যায়।

হঠাৎ ঘোড়াৰ চি-হি শব্দ শুনি টোপনি ভাঙে। চকু-মেলি চাই আগত এটা দৃশ্য চাই তাই বৰ আচৰিত হৈ যায়। দূৰৰ পৰা এটা বাঘ তাইৰ ফালে আগবঢ়ি আহে। তাই তীৰধনু লোৱাৰ আগতেই বাঘটো শব্দ কৰি তাইৰ ওপৰত পৰে। বাঘটোৱে তাইৰ সোঁ হাতটোত আঘাত কৰে। হঠাৎ বাঘৰ আক্র... ভয়ত চকু বন্ধ হৈ আহে সুবন্তীৰ। কিন্তু অ... পাছত বাঘৰ শব্দৰ পৰিবৰ্তে ইয়াৰ কাত... শব্দ আহে। সাহস কৰি চকু মেলে। দেখিব... পায়, গাত তীৰ লগাৰ পাছত বাঘটো মাটিত বাগৰি পৰে।

সুবন্তীয়ে চাৰিওফালে চায়। তাইৰ নজৰ যায় ধুনীয়া ধনু লৈ থকা যুবকৰ উপৰত, সি তাইৰ ফালে আগবাঢ়ি আহে। সুবন্তীয়ে তাক কিবা কব বিচাৰে, কিন্তু নোৱাৰে। বাঘৰ অঘাতত তাইৰ সোঁহাতৰ পৰা তেজ ওলাই থকাৰ বাবে তাই অজ্ঞান হৈ পড়ে।

জ্ঞান আহিলে দেখিবলৈ পায় এখন ঘৰত বিছনাৰ ওপৰত শুই আছে। সোঁহাতত কাপড়েদি বান্ধা, বৰ বিখ। অলপ দূৰত সেই যুবক জনে গছৰ শিপা-বাকলি দি কিবা কিবি বনাই আছে। সুবন্তীৰ চকু মেল খাই মকা দেখি যুবকজনে সুধিলে, "এতিয়া কেনে লাগিছে?"

"সেষত বাঘৰ হাতত আঘাত পালো। বাঘাটো যদি ঘাড়ত পড়িল হয় তেতিয়া হলে লগে লগে মৰি গলো হয়। হাতৰ জখমটো বৰ ভালদৰে হৈছে। বিখ তো হবই।" হাত খন দেখুৱাই সুবন্তীয়ে কলে।

"জখন যিমান ডাঙৰ হওক, যি মলম মই বনাইছো সেয়া এক মাহৰ মাজত অকল ঘা আৰি নিদিব, দাগও নাথাকে। যাৰ হাত-ভৰি কাটি প্ৰায় দুটুকুৰা হৈ গৈছে তাকও সম্পূৰ্ন ভাল কৰি তোলাৰ শল্য-চিকিৎসা মই জানো।" দুয়ো হাত দেখুৱাই সেই যুবক্ জনে হাঁহি থাকে।

সুবন্তীয়ে সুধিলে যুবক জনে পৰিচয় দি কলে, তাৰ নাম কোদগুপানি, এজন শল্য চিকিৎসক সি। দেউতা মৰাৰ পাছত বংশপৰম্পৰাত এই বৃত্তি সি লৈছে, জংগলৰ আদিবাসী আৰু জনগনক বিনামূল্যত চিকিৎসা কৰে। সেইটো তাৰ ধৰ্ম। বনৰ পশু বিলাকক



চিকিৎসা কৰাটোও তাৰ কৰ্তব্যত মাজত পড়ে।

"অজ্ঞান হোৱাৰ পাছত আপোনাৰ ঘোড়াত বহুৱাই এই ঘৰখনলৈ লৈ অহা হয়। আপোনাৰ হাতত যেতিয়া কাপড় বন্ধিবলৈ যাও তেতিয়াই গম পাও আপোনি মহিলা। পুৰুষৰ বেশত থকাৰ কি কোনো প্ৰয়োজন আছে?" নিজৰ বিষয়ে জনাৰ পাছত কোদণ্ডপানিয়ে সুবন্তীৰ পৰিচয় জানিবলৈ বিচাৰে।

সুবন্তীয়ে নিবিচাৰে যে যুবক জনে জানিবলৈ পাওক যে তাই সেই ৰাজ্যৰ ৰাজকুমাৰী, তাইৰ আচল পৰিচয় লুকাই ৰাখি কলে, "কামৰ আশাত ৰাজধানীৰ পৰা অকলে ওলাই আহো, তাৰ বাবে পুৰুষৰ বেশত আহিছো। সহায় তাৰ বাবে তোমাৰ ওচৰত গোটেই জীৱনটো মই কৃতজ্ঞ থাকিম। দুপুৰীয়া হৈ আহিছে, মোক এতিয়া যাব লাগিব।"

সুবন্তীৰ দুখপোৱা ঠাইখিনিত মলম লগাই ঘোড়াত উঠি বহিবলৈ সাহায্য কৰে যুবকজনে, তাৰ পাছত কলে, "সাবধানত যাব। কতও নৰখি ঘোড়া চলাই গলে আবেলিৰ মাজত পাই যাব।"

প্ৰাসাদত পাই সুবন্তীয়ে অকল কোদণ্ডপানিৰ বিষয়ে ভাবে, তাৰ সাহস আৰু তাইক সেবা কৰাৰ বাবে তাৰ প্ৰশংসা কৰি থাকে মনে মনে। হিংস্ৰ পশুৰ বাবেও তাৰ ইমান দয়া - এইবোৰ কথা তাই চিন্তা কৰি থাকে। সি ই তাইৰ গিৰিয়েক হব পাৰিব। এইবোৰ চিন্তাই তাইৰত আহি থাকে। তাৰবাবে তাইৰ হাতখন ভাল হোৱাৰ পাছত এদিনখন জংগলৰ পিনে যাত্ৰা কৰে।

এইবাৰ তাই এজনী দুখীয়া মহিলাৰ বেশত যায়। তাই দেখিব বিচাৰিছিলে, কোদণ্ডপানিয়ে তাইক এজনী সাধাৰন মহিলা হিচাপে স্বীকাৰ কৰিব বিচাৰে, না ৰাজকুমাৰী হোৱাৰ বাবে। ইচ্ছা, বিয়া নোহোৱালৈকে তাই নিজৰ ৰাজকুমাৰীৰ পৰিচয় নিদিব।

সেই জংগলৰ ওচৰত গৈ পাওতে অবেলি হৈ আহে। সেই সময়ত এখন নদীত এটা ৰাক্ষস গাধুই আছিল, তাইৰ মুৰত এটা শিঙ। ৰাক্ষসক চাইই সুবন্তীয়ে ভয়ত চিওৰি পলাবলৈ আৰম্ভ কৰে।

চিত্তৰ শুনি ৰাক্ষসটো নদীৰ পৰা ওঠি আহে। ডাঙৰ ডাঙৰ ভৰিৰে খোজকাঢ়ি সুবন্তীৰ

ওচৰত আহি পায়। তাইক হাতেৰে তুলি নিজৰ কাঁন্ধৰ ওপৰত বহুৱাই পৰ্বতৰ ওপৰত তাৰ দুৰ্গত লৈ যায়।

"এই ছোৱালী, মোক ভয় নাখাবা। তোমাক মই নাখাও, কিন্তু জংগলৰ সকলোকে সাক্ষী ৰাখি তোমাক বিয়া কৰাম।" এই বুলি কৈ সুবন্তীক এখন ঘৰত ৰাখি সেইটো বন্ধ কৰি সোনকালে গুচি যায়।

সুবন্তীয়ে গোটেই ৰাতি শুব পৰা নাই; অকল চিন্তা কৰে, ৰাক্ষসৰ কবলৰ পৰা কেনেকৈ মুক্তিপাব পাৰে। কোনো পথ নাপাই শেষত ঠিক কৰে, অকল বুদ্ধিবলৰ ওপৰত নিৰ্ভৰ কৰিহে বাঁচিব লাগিব।

পাছদিনাখন ৰাক্ষসটোৱে এক কলহ গাখীৰ আৰু এক কাঁন্ধা কল লৈ দৰজাৰ আগত বহি খাবলৈ আৰম্ভ কৰে। তাৰ পাছত হাহি হাহি কলে, "কোৱা ছোৱালী, আমাৰ বিয়াৰ শুভ সময় কেতিয়া আহিব?"

ৰাক্ষসৰ কথাত সুবন্তীয়ে হাঁহি ৰাক্ষসৰ ওচৰত আহি কলে, "আপোনি তো অন্তৰ্যামী স্বামী। আপোনি কেনেটেক গম পালে যে মই এজন যোগ্যস্বামীৰ বাবে ওলাইছো, আৰু আপোনাকই মই বিয়া কৰিবলৈ বিচাৰো। আপোনাক মোৰ ইমান ভাল লাগিছে। কিন্তু ...."

"কিন্তু কি?" হাহি হাহি ৰাক্ষসটো সুধে।

"কিন্তু .... আপোনাৰ মোৰৰ মাজত মাত্ৰ এটা শিঙ - মোৰ ভাল লগা নাই। ইয়াৰ বাবে আপোনৰ ধুনীয়া ৰূপ বিকৃত হৈ গৈছে। ইটোক যদি কাটি দিব পাৰি, তেতিয়াহলে আপোনাক আৰু ধুনীয়া দেখা যাব।" সুবন্তীয়ে হাহি হাহি কলে।

শুনি পেলাই ৰাক্ষসটোৰ মনটো বেয়া হৈ যায়। সি কলে, "এই শিঙৰ বাবেই মোৰ সকলো শক্তি। ধৰি লোৱা, এইটোই মোৰ প্ৰান। যদি ইটোক তোমাৰ ভাল নালাগে তেতিয়াহলে ইয়াৰ ফালে নাচাবা।"

"কিন্তু গিৰিয়েক, ধুনীয়াৰ বাবে নহলেও অন্তত মোৰ ভালপোৱাৰ বাবে তো ইটো ভাঙিব লাগিব। সৰু কালতে মোৰ জন্ম কুণ্ডলী চাই জ্যোতিষীয়ে কৈছিল যাৰ এখন চকু, এখন হাত বা এখন ভৰি আছে এনেকুৱা মানুহক অথবা এটা শিঙ থকা ৰাক্ষস বা এজন পুত্ৰসন্তান যি, তাক যদি বিয়া কৰাও তেতিয়াহলে সেইদিনাখনই মই বিধবা হৈ



যাম । যদি এই শিঙটো ভঙা সম্ভৱ নহয়, তেতিয়াহলে আৰু এটা শিঙ লগাই লোৱা । তেনেকুৱা হলে অলপ ভাল লাগিব, আৰু জন্ম কুণ্ডলীৰ দোষও নাথাকে।" সুবন্তীয়ে কলে।

ৰাক্ষটোৱে চিন্তাত পড়ি যায়। অলপসময়ৰ পাছত কলে, "মোৰ দেউতাৰ দুটামান শিঙ দুৰ্গৰ কৰবাত আছে। কিন্তু সেইটো কি মোৰ মূৰত লগোৱা সম্ভৱ হব ?"

এনেধৰনৰ সুযোগৰ অপেক্ষাত আছিল সুবন্তীয়ে যাতে কোদণ্ডপানিক তাতে মাতি পঠোৱাৰ প্ৰয়োজন হয়। তাই লগে লগে উত্তৰ দিয়ে, "নদীৰ কাষত এখন ঘৰত কোদণ্ডপানি নামেৰে এজন শল্য-চিকিৎসক থাকে। সি চাগে এই কামটো সহজেই কৰিব পাৰিব।"

এই খবৰ শুনি ৰাক্ষসটোৱে বৰ খুচি হয়, হো হো কৰি হাহি ওঠে... হাহি হাহি বাহিৰত আহি দৰজা বন্ধ কৰি গুচি যায়। সুবন্তীয়ে দুৰ্গৰ এফালে-সিফালে ঘুৰি ঘুৰি এটা ঘৰত আহে - ঘৰৰ ভিতৰত মুদ্ৰাৰ পাহাড় চাই আচৰিত হৈ যায়। তাই ৰাজকুমাৰী, তথাপি বিশ্বাস নহয় নিজৰ চকুক।

আবেলি। কোদণ্ডপানিক লৈ দুৰ্গত উভতি আহে ৰাক্ষসটোৱে। সুবন্তীৰ পৰিচয় দি ৰাক্ষস কোদণ্ডপানিক কলে, "তাই মোৰ ঘনীয়েক হব।" কোদণ্ডপানিয়ে সুবন্তীক চিনিব নোৱাৰে কাৰন প্ৰথম পৰিচয়ৰ সময়ত তাইক পুৰুষৰ বেষত দেখিছে।

"মোৰ গিৰিয়েক হব তেঁও। তেঁওৰ মূৰত দুটা শিঙ লগোৱাৰ বাবেই আপোনাক ইয়াত মাতিছো।" কথা শেষ কৰি কোদণ্ডপানিৰ চকুৰ পিনে চাই থাকে সুবন্তীয়ে যাতে সি তাইক চিনিব পাৰে।

কিন্তু কোদণ্ডপানি সুবন্তীৰ পিনে মন নিদিয়ে। ৰাক্ষসৰ ফালে চাই অলপ সময় চিন্তা কৰি কলে, "মূৰৰ ওপৰত দুটা শিঙ লগাব হলে আগত মাজৰ শিঙটো খুলিব লাগিব। তাৰ পাছত সমান দূৰতত দুটা শিঙ বহাব লাগিব।"

ৰাক্ষসটোৱে ভয় খাই কয়, "এইটো মোৰ জন্মৰ পৰা থকা শিঙ। এইটো খুলি ললে মোৰ শক্তিযাতে হেৰাই নাযায়।"

"শ্বশুৰেকৰ দুটা শিঙ তো আছে - সেই দুটা লগালে তোমাৰ শক্তি বল দুইগুন হৈ উঠিব।" সুবন্তীয়ে উৎসাহ দিয়ে ৰাক্ষসক।

কোদণ্ডপানিয়ে ৰাক্ষসক শুই যাব দিয়ে।

শুই গলে তাৰ নাকত ঔষধ দিয়ে অজ্ঞান কৰাৰ বাবে। ৰাক্ষসটোৰ টোপনি আহি যায়, নাক ডাকিবলৈ আৰম্ভ কৰে। কোদণ্ডপানিয়ে শল্য চিকিৎসাৰ যন্ত্ৰৰ সহায়তাত ৰাক্ষসৰ শিঙটো সোনকালে ওলাই দূৰত দলিয়াই মাৰে।

"যি নহওক। ইয়াৰ সকলো শক্তিবল নষ্ট হৈ গৈছে। ইয়াৰ পৰা আমি মুক্তি পালো। এতিয়া বলা আমি গুচি যাও।" সুবন্তীয়ে খুচি হৈ কোদণ্ডপানিক কলে।

কিন্তু কোদণ্ডপানিয়ে ৰাক্ষসৰ মূৰত দুটা শিঙ লগোৱাৰ বাবে ব্যস্ত আছিল যে সুবন্তীৰ কথা সি একো শুনা নাই। সুবন্তীয়ে তাইৰ পৰিচয় কোদণ্ডপানিক দিয়ে, বাঘৰ আঘাতত যি স্থানটো ক্ষত হৈছিল সেইটো দেখালে। চাই পেলাই আচৰিত হৈ যায়, চিনি পায়," আপোনি! বাঘক দেখি যি অজ্ঞান হৈ যায় তাই এতিয়া ৰাক্ষসক বিয়া কৰিবলৈ ওলাইছে।"

"এই ৰাক্ষসক বিয়া কৰাম? অসম্ভৱ। ৰাক্ষসটোৱে মোক বল প্ৰয়োগ কৰি আনি বন্দী কৰিছে। মুক্তিপোৱাৰ বাবেই মই ইয়াৰ মূৰত দুটা শিঙ লাগৱাৰ কথা কলো আৰু সেইকাম কৰাৰ বাবেই আপোনাক আনিবলৈ কৈছো, তাৰবাবেই মুক্তিহব পাৰিলো। বলা, এই দুৰ্গৰ পৰা এতিয়াই যাও। ৰাক্ষসটোক ইয়াত মৰিবলৈ দিয়া।" সুবন্দীয়ে কোদণ্ডপানিক কলে।

ৰাক্ষসৰ মূৰত দুটা শিঙ বহাই দিছে কোদণ্ডপানিয়ে। দুখ পাই ৰাক্ষসটোৱে কেইবাৰ মান চিঞৰি ওঠে অজ্ঞান হোৱাৰ আৰু কিছুমান ঔষধ তাক দিয়ে। তেতিয়া

ৰাক্ষসটোৱে আকৌ টোপনিত যায়। ৰাতিপোৱা জ্ঞান আহে, উঠি বহে।

যোৱাৰ আগত কোদণ্ডপানিয়ে ৰাক্ষসটোক কলে, "এই ছোৱালী জনীয়ে তোমাক বিয়া কৰাব নিবিচাৰে অস্ত্ৰোপচাৰ কৰাৰ বাবে যি সোন তুমি মোক দিব বিচাৰিছিলা সেইবোৰ মোৰ নালাগে, পৰিবৰ্তে এই ছোৱলী জনীক তুমি মুক্তি দিয়া।"

অলপসময় চিন্তা কৰি ৰাক্ষসটোৱে কলে, "আমাৰ ৰাক্ষসবংশত মই একমাত্ৰ যাৰ এটা শিঙ। ইয়াৰ বাবে মোক লৈ সকলোৱে হাঁহে। এই এটা শিঙৰ বাবে ৰাক্ষস ৰাজৰ ছোৱালীয়ে মোক বিয়া নকৰায়। কিন্তু মোৰ এতিয়া দুটা শিঙ হৈছে, তেতিয়াহলে মোৰ পত্নীও পাই যাম।" ৰাক্ষসটোৱে বৰ খুচি হয়।

এটা বস্তাত স্বৰ্নমুদ্ৰা ভৰাই সেইটো কোদণ্ডপানিৰ হাতত দি সুবন্তীয়ে কলে, "আপোনি দ্বিতীয়বাৰ মোৰ প্ৰানৰক্ষা কৰেলে। এই স্বৰ্নমুদ্ৰা আপোনাৰ, গ্ৰহন কৰক।"

তাৰ পাছত তাই ৰাজধানীত উভতি আহে।

বেতালে কাহিনী শেষ হোৱাৰ পাছত প্ৰশ্ন কৰে, "ৰাজন! ৰাজকুমাৰী সুবন্তীৰ ব্যৱহাৰ মূৰ্খৰ দৰে নহয় নে? তাই কোদণ্ডপানিক বিচাৰিছিলে, তাক পোৱাৰ বাবে দুবাৰ জংগলত যায়। কিন্তু তাক পোৱাৰ পাছতও তাই নিজৰ পৰিচয় লুকাই ৰাখে আৰু মনৰ কথাখিনি কয়। কোদণ্ডপানি আছিল এজন ধুনীয়া আৰু সাহসী যুবক। আৰু লগত সি আছিল এজন ভাল চিকিৎসক। সুবন্তীক সি দুবাৰ মৃত্যুৰ হাতৰ পৰা বচাঁইছে। সুবন্তীয়ে তাক ভাল পাইছিল। কিন্তু কিয় তাক বিয়া নকৰালে? এইটো কি সুবন্তীৰ মূৰ্খতাৰ পৰিচয় নহয়? ইয়াৰ উত্তৰ জানিও যদি মনে মনে থাকা তেতিয়াহলে আপোনাৰ মোৰ ফাটি চৌচিৰ হৈ যাব।"

ৰজা বিক্ৰমাদিত্যয়ে কলে, "ৰাজকুমাৰীয়ে এনেকুৱা এজন পুৰুষক বিয়া কৰাবলৈ বিচাৰিছিলে যোনে তাইৰ দেউতাৰ সিংহাচনৰ যোগ্য উত্তৰাধিকাৰী হব পাৰে। কোদণ্ডপানিৰ লগত প্ৰথমবাৰ লগ হোৱাৰ পাছত তাইৰ এনেকুৰা লাগিছিল যে তাৰ মাজত ৰজা হোৱাৰ গুন বিলাক আছে। কিন্তু ৰাক্ষসৰ দুৰ্গত তাৰ অচৰন চাই সুবন্তীৰ মনত হৈছে যে নিজৰ কৰ্মৰ বৃত্তৰ মাজত সি বন্দী হৈ আছে। যোগ্য শাসক হোৱাৰ দৰে ডাঙৰ মন তাৰ নাছিল। তাৰ বাবে, যেতিয়া সুবন্তীয়ে গম পালে, যি ধৰনৰ পুৰুষক তাই বিচাৰি আছিল সি কোদণ্ডপানি নহয় তেতিয়া তাইৰ আচল পৰিচয় লোকাই ৰাখি ৰাজধানীত উভতি আহে। এইটো সুবন্তীৰ মূৰ্খতাৰ পৰিচয় নহয়। এইটো তাইৰ গভীৰ দৃষ্টি, বিবেকশীলতা আৰু দূৰদৰ্শিতাৰ প্ৰকাশ পায়।"

ৰজাৰ দৌনতাভঙ্গত সফল হৈ বেতালে মৰাদেহ লৈ সেই গছত আশ্ৰয় লয়। **(কল্পিত)**



মতা মানুষ

নাৰায়ন আৰু কৃষ্ণৰ দহ বছৰৰ আগত যেতিয়া বিয়া হয় তেতিয়া গাঁওৰ মানুহ সকলে তেখেত দুজনক আশীৰ্বাদ কৰিছিল আৰু সিহতৰ সুখৰ জীৱন কামনা কৰি এই আশা কৰিছিল যে এই গাঁওত সিহতে হব এটা ভাল পৰিবাৰ।

কিন্তু আচলতে সেয়া হোৱা নাই। লাহে লাহে নাৰায়নৰ বেয়া স্বভাৰ হয়। তাৰ স্বাস্থ্যও বেয়া হয়। টকা-পইচাও হাতৰ পৰা কমি আহে। কোনোৰায় কিবা কলে খংখাই ওঠে, আৰু কৃষ্ণক মৰিবলৈ আৰম্ভ কৰে।

গাঁওৰ মানুহ সকলে বুজায় নাৰায়নক, তেঁও যেন তেঁওৰ বেয়া স্বভাব এড়ি দিয়ে। ঘনীয়েকৰ লগত কাজিয়া কৰা অসভ্যতা। সন্তানৰ ওপৰত এই কুপ্ৰভাব পড়িব, সকলো ভবিষ্যৎ নষ্ট হৈ যাব। কিন্তু নাৰায়ন ইয়াৰ কোনো মূল্য নিদিয়ে।

সি কলে, মোৰ ঘনীয়েকক মাৰো বা নামাৰো, তাতে আপোনালোকৰ কি আহে যায়। পাপ-পুন্য, স্বৰ্গ-নৰক এইবোৰ একো নাই। সেইবোৰ কৈ মোক ভয় নেখুৱাবা।" আনক বেয়াভাবে গালি দিয়ে।

এদিনাখন কৃষ্ণয় পুখুৰীত কাপড় ধুবলৈ গৈছে। তাত ৰুক্মিনীৰ লগত লগ হয়। বয়সীয়া ৰুক্মিনীৰ সংসাৰ সম্বন্ধে বৰ অভিজ্ঞতা, সংসাৰৰ ভাল-বেয়া আৰু মহিলা সকলৰ সমস্যা বুজিবলৈ পায়। গাঁওৰ দুখীয়া ছোৱালী সকলে অন্তৰৰ দুখ কষ্ট তাৰ ওচৰত কৈ সমস্যাৰ পৰা মুক্তিৰ উপায় বিচাৰে। ৰুক্মিনী তাক কলে, "তোমাৰ গিৰিয়েকৰ স্বভাৰ - ব্যৱহাৰ সম্পৰ্কে মই শুনিছো। যদি নিজক, সংসাৰক বচাঁবলৈ বিচৰা তেতিয়াহলে সাহস লাগিব। হয়তো সেয়া তোমাৰ বিৰুদ্ধ, কিন্তু ইয়াৰ বাহিৰে কোনো পথ নাই। নোৱাৰিলে গোটেই জীৱনটো এই অত্যাচাৰ সহ্য কৰিব লাগিব আৰু ভাগ্যৰ সম্বন্ধে চিন্তা কৰি চকুৰ পানী পেলাব।" এই বুলি কৈ ৰুক্মিনীয়ে

কৃষ্ণাৰ কানত কি কলে।

ৰুক্মিনীৰ কথা শুনি কৃষ্ণৰ মুখ, বগা পৰি যায়, "বাইদেউ তুমি যি কৈছা সেয়া সঁচা, কিন্তু মই কি কৰিব পাৰিম? মাজে মাজে যেন লাগে, এই কষ্টৰ পৰা বাঁচিবলৈ দেউতাকৰ ঘৰত গুচি যাও।"

ৰুক্মিনী মুৰ লৰাই কলে, "না, কেতিয়াও নহয়। গিৰিয়েকৰ অত্যাচাৰৰ পৰা বাচিবলৈ বিয়া হোৱা ছোৱালীৰ দেউতাকৰ ঘৰত যোৱাটো একেবাৰে ভাল নহয়। সমস্যাৰ সমাধানত নহয়। তোমাৰ মাক - দেউতা নাই, যাব লাগিব ককায়েক নবউৰ ওচৰত। সিহতৰ কিমান সমস্যা।"

ৰুক্মিনীয়ে এনেদৰে কলে যে কৃষ্ণাতকৈ সিই তাৰ দেউতাকৰ ঘৰৰ খবৰ বেচি জানে। বহুতো চিন্তা কৰি শেষত তাই ঠিক কৰে যে ৰুক্মিনীৰ পৰামৰ্শ অনুসৰি কৰিব।

সেইদিনাখন বহুতো ৰাতি মদৰ নেশা কৰি নাৰায়নে ঘৰত আহি চিঞৰিবলৈ আৰম্ভ কৰে, "কি মৰি গৈছে নেকি? কিমান সময় ধৰি চিঞৰিছা, তোমাৰ মনত নাই। নিজে খাইমেলি আৰামত শুই আছা, আৰু মই ভোখত মৰি গৈছো।" কৃষ্ণৰ কোনো খবৰ নাই। খঙত নাৰায়নে ঘৰৰ চোকৰ পৰা এটা ডাণ্ডা উলিয়াই কৃষ্ণৰ ঘৰৰ পিনে যায়।

তেতিয়া ঘৰৰ পৰা কৃষ্ণয় চণ্ডীমূৰ্তি ধৰি উলাই আহি কলে, "আজিও মদ খাই আহিছা। কেইদিনমান সহ্য কৰিছো। সন্তানসকলৰ ভবিষ্যৎ নষ্ট কৰি আছা, আৰু সহ্য নকৰো। তোমাৰ এই স্বভাবক বাদ দিবলৈ মই কৰিম।" তাৰপাছত কৃষ্ণয় নাৰায়নৰ হাতৰ পৰা ডাণ্ডাটো কাঢ়ি লয়, তাক মাৰিবলৈ চেষ্টা কৰে।

ঘনীয়েকৰ এনেধৰনৰ মূৰ্তি চাই নাৰয়নে ভয় পাই যায়, পালংৰ তলত গৈ লুকায়। কৃষ্ণয় ডাণ্ডাটো দি মাৰি মাৰি কলে, "ওলাই আহা, আজি বদলা লম। যদি বাঁচিবলৈ বিচৰা তেতিয়া হলে প্ৰতিজ্ঞা কৰা, বেয়ামানুহৰ লগ এড়িবা, মদ নাখাবা; সেই মদই তোমাক খাই পেলাব, তুমি নোখোৱা।"

পালংৰ তলৰ পৰা কাঁন্দি নাৰায়নে কলে, "প্ৰতিজ্ঞা কৰিছো, আৰু মদ নাখাও। তোমাক আৰু লৰা ছোৱালীৰ গাত হাত নুঠাও। বেয়া মানুহৰ লগ এড়িম। মই কথা দি আছো।"

কৃষ্ণয় হাহে, "আজি এড়ি দিলো। নেশাৰ হাতৰ পৰা, যোনে মুক্ত হব পাৰে সিহতেই ভাল মানুহ। তোমাক হব লাগিব।

স্বৰ্ন - সিংহাসন

(৪)

(আগত যি ঘটিছিল : কৌণ্ডিন্যৰ ৰজা শ্ৰীদত্ত তেওঁৰ পুত্ৰেক বিজয়দত্তৰ শিক্ষা সমাপ্তিৰ পিছতেই গুৰুকুলৰ পৰা মতি আনে। ৰাজকুমাৰ বিস্তৰিত ভাবে জনায় যে কেনেকৈ মৰাল ভূপতি অন্য ৰজা সকলক নিজৰ পক্ষলৈ আনি কৌন্ডিন্য ৰাজ্য আক্ৰমন কৰাৰ ষড়যন্ত্ৰ কৰিছিল। ইয়াৰ বাবে তেওঁলো কৰ ঘনিষ্ঠ কালিন্দীৰাজ মাধবওঁ একেলগ হৈছে। তেতিয়া অকস্মাৎ মাধব সেনৰ জীয়েক শ্ৰী লেখা মতা মানুহৰ তাওঁজুৰি গোপন ভাবে কৌন্ডিন্য ৰাজ্যলৈ গুচি আহে। বিজয় দত্তৰ লগত তেতিয়াই শ্ৰী লেখাৰ গান্ধৰ্ব্য অনুসৰি বিয়া দিয়ে শ্ৰী দত্তই। ৰাজগুৰুই বিজয় দত্তক সাৱধান কৰি কয়, প্ৰথমতে সাপক মন্ত্ৰৰ দ্বাৰা শান্ত কৰিব লাগিব। যদি তেতিয়াওঁ কাম নহয় তেন্তে সাপৰ মুখুমুখী হব লাগিব।)

ৰাজগুৰু শিবানন্দৰ কথা শুনি বিজয়দত্তৰ হাত তৰুবালৰ ওপৰত আহে।

ৰাজ গুৰু লাহে লাহে গৰ্তৰ অভ্যন্তৰলৈ নামি আহে, হাতত পানী লৈ উচ্চস্বৰে মন্ত্ৰ মাতিবলৈ আৰম্ভ কৰে। তাৰপিছত সেই পানী সাপৰ ওচৰত ছটিয়াই দিয়ে। বাপেক পুত্ৰকে শ্বাসৰোধ কৰি সেই ভয়ানক দৃশ্য চাই থাকে।

শিবানন্দৰ আশা আছিল, মন্ত্ৰৰ ফলত সৰ্পৰাজ শান্ত হব। কিন্তু সেইটোওঁ নহল। আকৌ যেতিয়া শিবানন্দই মন্ত্ৰমাতি বলৈ আৰম্ভ কৰে তেতিয়া সাপে কবলৈ আৰম্ভ কৰিলে। হে মন্ত্ৰোচ্চাৰনকাৰী, কোনো মন্ত্ৰই মোৰ ওচৰত প্ৰস্তাব পেলাব নোৱাৰে। মোৰ দৃষ্টি এক মহান তান্ত্ৰিকাৰ দ্বাৰা এক মহান উদ্দেশৰে বাৱে সৃষ্টি হৈছে, যিজনে মোৰ প্ৰশ্নৰ সঠিক উত্তৰ দিব, মই তেঁওৰ অধীনতহে একমাত্ৰ থাকিম।”

সাপৰ কথা শুনি শ্ৰীদত্ত, বিজয়দত্ত আচৰিত হৈ যায়, আৰু এজনে আনজনৰ ফালে একেথৰে চাই থাকে শিবানন্দ গাতৰ



পৰা উঠি আহি বিজয় দত্তক সম্বোধন কৰি কয়, "পুত্ৰ, এতিয়া সাপৰ সন্মুখত তোমাৰ যাব লাগিব। নির্ভয়ে আগুৱাই আগুৱাই যোৱা আৰু সাপৰ প্ৰশ্নৰ উত্তৰ দিয়া।

বিজয়দত্ত দেউতাক আৰু গুৰুৰ আশীৰ্বাদ লৈ একাগ্ৰচিত্ত ভাৱে গাতৰ ভিতৰলৈ নামে। সৰ্প ৰজাক প্ৰনাম কৰি কৰি কয়, হে সৰ্পৰাজ, তোমাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মই প্ৰস্তুত। মোক এতিয়া প্ৰশ্ন কৰা."

বিজয়দত্ত সাৱধান কৰি সাপে কলে "হে বীৰ যুবক, মোৰ কথা প্ৰথমতে মনোযোগ দি শুনা। যিজনে মোৰ প্ৰশ্নৰ উত্তৰ সঠিক ভাবে দিব, মই তাৰ ডিঙিত হাব পিন্ধাম সঠিক উত্তৰ দিব নোৱৰিলে তাক দংশন কৰি মৃত্যুৰ মুখত পেলাম। ধৰ্মৰ বিষয়ে প্ৰশ্ন কৰাৰ পুৰ্বে তোমাক সাৱধান কৰি দিছো। আৰু এতিয়াও যদি তুমি মোৰ প্ৰশ্নৰ উত্তৰ দিব খোজা তেনে প্ৰশ্ন কৰিম। অন্যাথাই তুমি যাব পাৰা।

সাপৰ কথা শুনি শ্ৰীদত্ত ভয় খায় আৰু বিজয়দত্তক মানা কৰিবলৈ গাতৰ ফালে আগুৱাই যায়। কিন্তু শিবানন্দই তেওঁক বাধা দি কয়, আপুনি ভয় নাখাবা, যুৱৰাজৰ যোগ্যতাৰ ওপৰত বিশ্বাস কৰক।

বিজয়দত্তওঁ অলপ সময়ৰ বাবে বিচলিত হৈ পৰে। কিন্তু তাৰ পিচত আত্মশক্তিৰ ওপৰত নিৰ্ভৰ কৰি কায়, 'তোমাৰ ধৰ্মসুনক মই স্বীকাৰ কৰিছো। তুমি প্ৰশ্ন কৰা।

"বলো, একজন মহান ৰাজাৰ পক্ষে পালন কৰা যোগ্য তিনিটা ধৰ্ম কি?" সাপৰ প্ৰশ্ন।

অলপ সময় চিন্তা কৰি বিজয় দত্তই উত্তৰ দিলে "এজন শ্ৰেষ্ঠ ৰজাৰ জীৱন কালত প্ৰকৃত ও পবিত্ৰতাৰ লগত তিনিটা পালন কৰা হয়, সেয়া হল, সতৎ, ধৰ্ম আৰু ন্যায়।"

"উত্তম ৰাজকুমাৰ।" মুগ্ধ হয় সাপে কলে মোক তুমি আনন্দিত কৰিলা। এতিয়াই মই তোমাৰ ডিঙিত পুষ্প মালা পিন্ধাই শোভা বৃদ্ধি কৰিম। আৰু যিমানদিন তোমাৰ লগত থাকিম, প্ৰভাৱশালী যি কোনো বিষয় তোমাৰ বাবে অমৃত হৈ উঠিব।

আৰু শুনা, ইয়াৰ পৰা আৰু যদি তিনি ফুট গভীৰ পৰ্য্যন্ত খন্দা হয় তেন্তে তোমাৰ এটা দিব্য উপহাৰ প্ৰাপ্তি হব। বীজয় হোৱা বীৰ." এনেকৈ আশীৰ্বাদ দি সাপে আকস্মাৎ থিয় হৈ পৰে আৰু স্বেত মোতিৰ ন্যায় আলোকোজ্বল মালাত পৰিনত হৈ পৰে। আৰু বিজয়দত্তৰ

ডিঙিত সেই মালা গৈ পৰে।

আকৌ যেতিয়া খনন কাৰ্য্য আৰম্ভ হয়। সন্ধা পৰ্যন্ত খন্দাৰ ফলত তিনিফুট আৰু গভীৰ সুলত শ্ৰমিক সকলে খনন যন্ত্ৰৰ পৰা আঘাত কৰিলে এটা ধাতুৰ ওপৰত তেনেকুৱা যেন শব্দ শুনা পায়। তেতিয়া সেই স্থানটো চাৰিওঁ ফালে খুব সাবধানে মাটি আতৰাই থাকে। বিজয় দত্ত গাতৰ তলত নামি ভু গৰ্তৰ পৰা লাগি থকা ধাতুটোক বুজিবলৈ চেষ্টা কৰে। কিন্তু ভালেমান অন্ধকাৰ হৈ পৰিল। গুৰুৰ আদেশ অনুসৰি জ্বালোৱা হয় আৰু সেই পোহৰত গোটেই ৰাতি কাম কৰে।

ৰাতিপুৱা উদয় হোৱা ৰক্তিম আভায় চাৰিওঁ ফালে বিয়পি পৰে। সেই পোহৰেতে চাই সকলো অচৰিত হৈ পৰে। এক ৰাজচক্ৰ বৰ্তী প্ৰতিষ্ঠিত শক্তি আৰু প্ৰাচুৰ্য্যৰ প্ৰতীক এক বিশাল স্বৰ্ন-সিংহাসন অপূৰ্ব সেই সিংহাসনৰ ওপৰৰ ভাগত বংশৰ কুলদেৱীৰ প্ৰতীমা সজ্জিত কৰা আছে। দেৱীৰ চৰনৰ তলত এটা বৃহৎ আকাৰৰ স্থান। তাৰ কেন্দ্ৰত এটা মানিক্য। দেৱীৰ মুকুটৰ মাজতাগত এটি হীৰা আৰু তাৰ পৰা ছটা ৰশ্মি ওলাইছে। সিংহাসনৰ দুয়োফালে দুটা সিংহ আকৃতিৰ মূৰ্তি। সেইবোৰৰ মুগ বন্ধ। কিন্তু চকু দুটা অতি জীৱন্ত। জুইৰ নিচিনা তেজ বৰনৰ মনি দুটি চাই দৰ্শকৰ হৃদয় পুলকিত বা ভীত হৈ পৰিল।

সেই অদ্বিতীয় সিংহাসনত আসীন হোৱাৰ বাবে তিনিটা ধাপ তৈয়াৰ কৰা হৈছে। প্ৰতেকেটো সোপনৰ দুয়োফালে দুটা সোনৰে তৈয়াৰ কৰা নাৰী মুক্তি স্বাগতম জনোৱাৰ



ভঙ্গীমাত প্ৰতিষ্ঠিত কৰা হৈছে। সেই স্বৰ্ন প্ৰতিমাৰ কমনীয়তা আৰু তাৰ সূক্ষ্ম শিল্প কাৰ্য্য বিশেষ ভাবে দৰ্শনীয়।

সিংহাসনৰ চিন্তা সৌন্দৰ্য্য ও বৈভৱ চাই মহাৰাজা শ্ৰীদত্ত অভিভূত হৈ পৰে। অপূৰ্ব সিংহাসন দেখি তেওঁৰ মন প্ৰশংসাই ভৰি ওঠে। কুলদেৱীৰ ফালে হাতযোৰ কৰি প্ৰণাম কৰি কলে "মা, আমি সকলোৱেই তোমাৰ সন্তান। আশীৰ্বাদ কৰিব যে আপোনাৰ কুলপ্ৰদীপ আৰু ভাবী সম্ৰাট বিজয়দত্তৰ ৰাজ্যভিষেকৰ সময় এই ৰাজ্যসিংহাসনতেই যেন আসীন হয় আৰু তোমাৰ কৃপা কবচ কুণ্ডলী হয়ে সকলোৱেই যেন তেঁওৰ লগতেই থাকে।

বিজয়দত্তও আৰু শ্ৰীলেখা কুলদেৱীৰ ফালে প্ৰণাম জনায় মহাৰাজ শ্ৰীদত্ত তেওঁৰ

অধিকাৰী সকলক আদেশ কৰে যে স্বৰ্ন সিংহাসনক অতি সাৱধানে ৰাজপ্ৰসাদলৈ নিবৰ বাবে। তাৰ পিচত সকলোকে লৈ তাৰ পৰা গুচি যায়।

শিখীমুখ নামৰ এজন গুপ্তচৰ ৰাজপ্ৰসাদত মহাৰজাৰ কাৰনে অপেক্ষা কৰি আছিল। শত্ৰুসকলৰ গতিবিধিৰ সৰ্বশেষ খবৰ লৈ তেওঁ জনালে যে, মৰালভূপতি কিছুমান সৈন্য সামন্ত লৈ কালিন্দী ৰাজাৰ ৰাজ অতিথি শালত অপেক্ষা কৰি আছে, সেই ৰাজাৰ ৰাজকুমাৰী শ্ৰী লেখা পুঁৰুষৰ বেশ ধৰি তাৰ পৰা কৰবালৈ পলাই গৈছে। তেওঁলোকৰ বিশ্বাস যে তাই আমাৰ ৰাজ্যৰ কৰবাত আছে। কালিন্দী ৰাজসকলৰ সন্দেহ এনে ধৰনৰ।

মৰালভূপতি কালিন্দী ৰজাক খবৰ দি পঠিয়াইছে যে, যি টো ঘঠিছে তাক লৈ ভাবিবলৈ নাই। কিন্তু যুদ্ধ পৰিকল্পনাৰ কোনো পৰিবৰ্তন নহয় আৰু আগৰ নিয়োমিত ৰননীতি অনুসৰি কৌন্ডিন্য ৰাজ্যৰ ওপৰত আক্ৰমন কৰা হব।

চম্পক আৰু কুন্দ দেশৰ সৈন্য বাহিনী আক্ৰমনৰ কাৰনে হয়তো আমাৰ ৰাজ্যৰ ফালে আগবাঢ়ি আহিছে। কালিন্দীৰ সৈন্যদল মৰালভূপতিৰ সৈন্যদলৰ হৈতে জেষ্ট মাহৰ শুক্ৰ-পঞ্চমীৰ ৰাতি যাৰবলৈ প্ৰস্তুত হব আৰু কালিন্দী নদীৰ ওচৰত তম্বু পাতিব। গোটেই ৰাতি তেওঁলোকে আমাৰ দেশৰ ওপৰত আক্ৰমন কৰিব।

গুপ্তচৰৰ কথা শুনি শ্ৰীদত্ত পুতেকৰ ফালে চাই কলে, "পুত্ৰ এতিয়াওঁ হয়তো তোমাৰ শহোৰেক আমাৰ শত্ৰুৰ পক্ষৰ লগতেই আছে আৰু পাৰৰ জৰিয়তে খবৰ পঠিয়াইছে হয়তো আমাৰ বিপথে থাকিবৰ বাবে।

বিজয়দত্ত এইবোৰ কথা শুনি ভাবি থাকে। তাৰপিচত তেও কলে, "এনেকুৱা হব পাৰে যে, শত্ৰুৰ দ্বাৰাপৰিবেষ্ঠিত হোৱাৰ বাবেই তেওঁলোকৰ সৈতে এনেকুৱা পৰিকল্পনা কৰিছে।

পুত্ৰকৰ চিন্তাধৰাৰ প্ৰশংসা মনে মনে কৰি শ্ৰী দত্তই কলে, "এইটোওঁ সম্ভৱ হব পাৰে।" যুদ্ধনীতি অনুসৰি সংকটৰ সময়ত শত্ৰুৰ সৈতেওঁ মিত্ৰৰ নিচিনা ব্যবহাৰ কৰা এটা ৰাজনীতিৰ চাল। যদি শত্ৰুপক্ষই পাৰৰ দ্বাৰা আৰু এটা খবৰ পাঠালে হেতেন। যি কি নহওঁক, যুদ্ধৰ বাবে আমাৰ সৈন্যদল প্ৰস্তুত ৰাখিব লাখিব আৰু জয় পৰাজয়ৰ বিচাৰ

ভগৱানৰ চৰনত সপি দি যুদ্ধত নামিত লাখিব।'

তাৰপিছত অলপ সময় ভবাৰ পিছত গম্ভীৰ বাবে ৰাজগুৰু শ্ৰীদত্তই কলে "গুৰুবৰ, গুপ্তচৰৰ সংবাদ ৰ পৰা পৰিস্থিতি আমি চম্ভলিব লাগিব। শত্ৰু সকলে আমাক চাৰিওঁ ফালৰ পৰা আগুৰি ধৰিছে। যি কোনো সময়তেই আক্ৰমন কৰিব পাৰে। শত্ৰু সকলৰ আগত আমাৰ শক্তি একেবাৰেই নগন্য। কিছুসময়ৰ পিছত স্বৰ্ন-সিংহাসনৰ ফালে চাই তেঁওৰ মনত পৰিছে যে মোৰ ভাগ্যশালী পুত্ৰ এই দিবা সিংহাসনৰ অধিকাৰী হব। কিন্তু বৰ্তমানৰ পৰিস্থিতি য়ে কৈছে যে সেইটো কেতিয়াওঁ নহয়।

এই সময়ত আকৌ শিখীমুখে কলে, "মহাৰাজ, মোক খমা কৰিব। এতিয়া বেলেগ এজন গুপ্তচৰৰ পৰা গম পালো যে, মাধৱসেন চক্ৰভূপতিৰ সৈতে ৰাজকুমাৰীৰ বিয়াৰ কথা ঠিক কৰাৰ পিছতওঁ তেওঁ নিজৰ মহাৰানীৰ ওচৰত গোপনে ৰাখিছে। কিন্তু এই বিয়াত মহাৰানীৰ কোনো সন্মতি নাই। এইখবৰ তেওঁ ঠিক পায় যায়। মহাৰানীৰ সহায়তেই ৰাজকুমাৰী ৰাজপ্ৰসাদৰ পৰা পলাই যাব পৰিছে।

'ৰাজকুমাৰীকে লৈ মহাৰানী আৰু মহাৰাজা মাধৱসেনৰ অস্বস্তিত পৰি যায়। চক্ৰভূপতিৰ আগত কেনেকৈ মুখ দেখুৱায় তেওঁ ভাবি থাকে। যিখন ৰাজ্যৰ তেঁও ইমান সম্মান দিছিল, অথচ তেওঁৰ আগতেই কালিন্দীৰ নাক-কান কটা যায়। একমাত্ৰ এইটোৱেই নহয়, ৰাজ্যখনেই বিপদত পৰিছে।

"মাধৱ সেন নিজে কোনো সিদ্ধান্ত লব নোৱাৰি মহাৰানী পৰামৰ্শ মতে তেওঁ ৰনানীতিৰ পৰিবৰ্তন কৰিলে আৰু এইটো মৰালভূপতি আৰু চক্ৰভূপতিৰ ওচৰত গোপনে ৰাখিছে সেই কথা তেওঁ লোকৰ সেনা মৰালভূপতিৰ লগত যাব কিন্তু সুবিধা পালেই বেলেগ পক্ষৰ লগত মিলি যাব। তথাপিওঁ মহাৰানীয়ে কলে। সাৱধনে সতৰ্ক হৈ থাকিব লাগিব।"

শ্ৰীদত্তই এই খবৰ শুনি হাঁহি মুখে কলে, "তোমাৰ ধৰনাই ঠিক পুত্ৰ। পৰম প্ৰভু আৰু কুলদেবীৰ অসীম কৰুনা আমাৰ ওপৰত এই ঘোৰ সংকটৰ অন্ধকাৰত আলোৰ প্ৰকাশ স্পষ্ট দেখা গৈছে।"

মহাৰজাৰ আশংকা দূৰ কৰাৰ প্ৰয়াসে

গুৰুদেৱক কলে, "সকলোবেই কুলদেৱী গায়ত্ৰীদেৱী কৃপা। যোৱা কেইদিন মানৱ ঘটনাবোৰে তেওঁৰেই প্ৰেৰনাতেই হয়তো চলিছে, মানুহৰ প্ৰচেষ্টাত নহয়। আপোনাৰ কথাত মোৰ সম্পূৰ্ন বিশ্বাস যে মোৰ পুত্ৰৰ ওপৰত কুলদেৱীৰ অসীম কৰুনা বৈছে। গুৰুবৰ, আপুনি যেনেকুৱা মঙ্গল বুলি ভাবে, তাকেই কৰক।

মহাৰাজৰ সন্মতিত প্ৰসন্ন হয় শিবানন্দ কলে মহাৰাজ এনেকুৱা সৌভাগ্যশালী পুত্ৰেৰ পিতা হয় আপুনি ধন্য। যুবৰাজৰ সিংহাসনৰ অসীম হোৱাৰ মুহুৰ্তত স্থিৰ কৰিছো। আজিৰ পৰা ঠিক চাৰিদিনৰ পিছত জেষ্ট শুক্লা পঞ্চমীৰ শুক্ৰবাৰে, সেইদিনা প্ৰাতঃ কাল সুৰ্য্যোদয় দুই দণ্ডৰ পিছত তেঁওৰ ৰাজ্যভিষেকৰ আয়োজন কৰক।"

"শত্ৰুপক্ষ সেই সময়ত আক্ৰমন কৰিব, আৰু সেই সময়ত ৰাজ্যভিষেকো সম্পন্ন হব। বিজয়দত্তৰ মুখৰ পৰা সহজ ভাবে কথাবোৰ ওলাই আহে।

মহাৰাজেও সন্মতি জনাই। সকলোৰে মতে ৰাজ্যাভিষেক উৎসৱ খুবেই যেন সাধাৰন, সংক্ষিপ্ত ভাবেই সম্পন্ন হব।

ৰাজ্যাভিষেক আৰু যুদ্ধৰ আয়োজন একে লগেই হব। স্বৰ্ন সিংহাসনটো পৰিস্কাৰ কৰি তুলিছে, আৰু সেনা বোৰে তৰোৱাল শালত যুদ্ধৰ অভাস কৰিছে। এনেভাবে চাৰিদিন গুচি যায়। আৰু সেই শুভ সময় চাপি আহিল।

সভাগৃহ পুষ্প মালাৰে সুসজ্জিত কৰা হৈছে। বিভিন্ন প্ৰকাৰ মতি-মনিৰ ধাৰা সিংহাসনক আৰু সুন্দৰ কৰা হৈছে। সিংহাসনৰ

ৰাজগুৰুৱে তেঁওক ফলে, "মই আপোনাক কব খোজো যে জোতিষীৰ গননানুসাৰে যুব ৰাজৰ সংকটৰ কাল পাৰ হৈ গৈছে। কালি লৈকে আছিল তেওঁৰ জীৱনৰ ঘোৰ বিপদ। কিন্তু এতিয়া তেঁওৰ গ্ৰহৰ প্ৰভাব ইমান প্ৰবল যে শত্ৰু পক্ষই তেওঁক হতৎ কৰাৰ কোনো সম্ভৱনাই নাই, অথচ তেওঁলোকৰ হে প্ৰানসংশয়ত। সেয়ে ৰাজ্যাভিষেক যিমান সোনকালে সম্ভব হয় মহাৰাজৰ নেতৃত্য তেঁওক দিব লাগে। বিজয় লাভ নিশ্চয় হব।"

শিবানন্দৰ কথা শুনি সকলোৱেই নীৰব হৈ গল।

বিজয়দত্তক নীৰবে দেখি মহাৰজাৰ বোধ হয়, পুত্ৰ আৰু গুৰুদেৱৰ মত একেই। শ্ৰী দত্তই ভক্তিসহকাৰে দেৱীক প্ৰনাম জনাই

তলৰ ফালে ৰাজ কৰ্মচাৰীৰ বাবে আসনৰ ব্যবস্থা কৰা হৈছে। তাৰ পিছফালে সাধাৰন প্ৰজাৰ স্থান, তাৰ পৰা তেওঁলোকে ৰাজ্যাভিষেক চাব পৰিব।

সিংহাসনৰ ওচৰতেই বেদঙ্গ পণ্ডিত উচ্চস্বৰে বেদমন্ত্ৰ পাঠ পৰিছে। শুভ মূহুৰ্তৰ অপেক্ষা এতিয়া। শিবানন্দৰ নিৰ্দেশ মাতে বিজয়দত্ত আৰু শ্ৰীলেখা আহি গুৰু আৰু পিতাৰ চৰন স্পৰ্শ কৰি প্ৰণাম কৰি সিংহাসনৰ প্ৰথম সোপানত যেই মাত্ৰেই ভৰি থৈছে, তেতিয়াই মেঘগৰ্জনৰ ন্যায় গম্ভীৰ কিন্তু মধুৰ ভাবে শোনা যায়। বিজয়দত্ত থিয় হয়।"

এই গম্ভীৰ স্বৰত সকলোৱেই আচৰিত হৈ উঠে। সকলোৱেই শ্বাসাৰোধ কৰি প্ৰতীক্ষা কৰি আছে। মহাৰাজ শ্ৰীদত্তৰ মন শংকিত হৈ ওঠে। কুলদেবীক স্মৰন কৰি তেওঁৰ ওচৰত অজ্ঞান ভাবে যদি কোনো ক্ৰটি হৈ থাকে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰে। এই সময়ত সঠিক ভাবে বুজাৰ একমাত্ৰ ব্যক্তি পূৰ্বে এই জনেই আছিল। বৰ্তমান গোটেই ঘটনা কোনো অদৃশ্য জীৱন্ত শক্তিৰ দ্বাৰা প্ৰচলিত হৈছে। কিন্তু এই শক্তিৰ সৈতে সম্পৰ্ক স্থাপন কৰি তেওঁৰ সংকল্পক জ্ঞাত কৰাৰ অসমৰ্থ সকলে কেৱল এজন ব্যতীত।

গুৰু শিবানন্দ এজন উচ্চ কোটিৰ সিদ্ধ পুৰুষ জগতৰ শক্তিবিষয়ে পৰিচিত। যিকোনো কাৰ্য্য পদ্ধতিত অংশ লোৱাৰ শক্তিৰ অধিকাৰী। ভাৰ উপৰিতঁ মহাৰাজৰ পৰিপূৰ্ন ভৰসা। অথবা বিশ্বাস আছে। স্বৰ্ন সিংহাসনেৰ নিচিনা দিব্য বস্তুক এক অদৃশ্য শক্তি সাৰক্ষন কৰি আছে, গুৰু শিবানন্দৰ কৃপাত শ্ৰীদত্তই সেইটো বুজিছে। সমস্থ কাজেই তেঁওৰ নিৰ্দেশ মতেই চলিছে। তথাপিওঁ, কি কাৰনে এই বাধা। এইবোৰ ভৰি তেঁওৰ অন্তৰ অজান শংকাই ভৰি ওঠে। গুৰুদেৱৰ ফালে চাই, তেওঁৰ দৃষ্টিতো যেন প্ৰশ্ন! এনেকি অপৰাধ হৈ গ'ল অজানিতে।

বিজয় দত্ত আৰু শ্ৰীলেখা যন্ত্ৰৰ নিছিনা পিছুৱাই আছে। দুয়োজনেই গুৰুদেৱৰ ফালে চাই শুধিদে, গুৰুদেৱ এতিয়া কি কৰিম।"

এক মহান সভ্যতাৰ এক ঝলক
যুগ যুগ ধৰি সত্যৰ গৌৰৱময় অনুসন্ধানত

৩. গঙ্গাৰ অৱতৰন

"এইটো কি সত্য?"সন্দীপ আৰু চামেলীৰ মাক জয়শ্ৰী অচৰিত হৈ কয়। তেওঁৰ বিশময়ৰ লগত অলপ উৎফুল্লতাৰ ভাবক হৈছে।

"এইটো সত্য, মা! অৱশ্যে যদি কবলগা হয় তেনেহলে কম প্ৰবন্ধ প্ৰতিযোগিতাত মই নাই। দাদাই প্ৰথম হৈছে। সন্দীপে কলে তিনিটা বিষয় আছিল : ভাৰতৰ ইতিহাসে তোমাৰ সৰ্বাপেক্ষ প্ৰিয় চৰিত্ৰ। তোমাৰ পৰিচয় সকলৰ ভিতৰত সৰ্বপেক্ষা প্ৰিয়জন। মই দ্বিতীয়টো নিৰ্বাচন কৰো আৰু নচিকেতাৰ বিষয়ে লিখো বিচাৰকৰ আটাইতকৈ ডাঙৰ আকৰ্ষন কৰে কাহিনী টোৰ ব্যাখ্যা। ঋষিয়ে যেতিয়া নচিকেতক কলে সময় ওচৰত যোৱা! সেইটো কোনো অভিশাপ নহয়। বৰঞ্চ তেওঁৰ প্ৰতিভাবান পুত্ৰক মৃত্যুৰসহ্য বিষয়ে সত্য জ্ঞানাৰ্জনেৰ কাৰনে মনে নিবেশ কৰিবলৈ কলে। জমৰ নিবাসস্থলত গৈ তিনিদিন তিনিৰাতি নচিকেতাৰ প্ৰতীক্ষাৰ অৰ্থ মৃত্যুৰহস্য সম্পৰ্কে জ্ঞানাৰ্জনৰ কাৰনে সেই তিনিদিন তিনি ৰাতি তেওঁৰ গভীৰ ধ্যান আৰু মনোনিবেশ। মই কাহিনী টোৰ ব্যাখ্যা এনেভাবেই কৰো।

"বাৰু সন্দীপ, নচিকাতাৰ গল্পৰ মাজত এনেকুৱা সৰ্মাৰ্থ লুকাই আছে, মই একেবাৰেই নাজানো। জয়শ্ৰীয়ে কলে।

"গভীৰ গানগৰ্ভ অলপ যদি গল্পৰ নিচিনা কোৱা নহয় তেতিয়া হয়তো আমি পহৰি যাব পাৰো এইবাবে, এনেকুৱা গল্প শ শ বছৰ ধৰি প্ৰচাৰি হৈ আছে। তাৰ কাৰনটো হল এই কাহিনীৰ মাজত বৈদে গভীৰ সত্যৰ মৰ্মাৰ্থ, "নিজৰ ঘৰৰ পৰা ওলাই আহোতে, ককা দেৱনাথে মন্তব্য কৰে।

"ককা, তুমি ফুৰিবলৈ যোৱা নেকি? মই তোমাৰ লগৰীয়া হম ককা," উৎসাহভৰি সন্দীপ

কলে।

"মইও যাম, "আনন্দন হাত চাপৰি দি কৈ কৈ বহিৰৰ কোঠালৈ চামেলী আহে।

তিনিজন খোজ কাঢ়ি গৈ আছে।

"আমি যিখন নদীৰ কমত বাস কৰো সেইটো গঙ্গাৰ এটা শাখা নদী। হয় নেকি ? গঙ্গাক ইমান পবিত্ৰ নদীৰূপে কয় মান্য কৰা হয়? অধ্যাপক দেৱনাথে প্ৰশ্ন কৰিলে।

চামেলী কৈ উঠে, মই জানো, কাৰন গঙ্গা বহুত পবিত্ৰ স্থানৰ ওপবেদি প্ৰবাহিত হয় গৈছে, যেনে, হৃষীকেষ, হৰিদ্বাৰ, বেনাৰস, আৰু....

"চামেলী ঠিক ওলোটা। পবিত্ৰ গঙ্গা নদীৰ কামত অবস্থিত হলেই সেই স্থানবোৰ পবিত্ৰ হৈ গৈছে। সন্দীপে উত্তৰ দিলে।

"বেছি স্মাৰ্ট হোৱাৰ চেষ্টা নকৰিবা। সৰু ভনীয়েক চামেলীয়ে গভীৰ ভাবে কলে।

চেষ্টা কৰাৰ কি দৰকাৰ। প্ৰতিটো মুহুৰ্ততেই তোমাতকৈ মই বেদি স্মাৰ্ট। সন্দীপ উত্তৰ দিয়ে।

আহা ! এনেকুৱা নকৰিবা। তোমালোক দুয়োজনেই সমান অন্ততঃ মোৰ তুলনাত তুমিহে বেদি স্মাৰ্ট। অধ্যাপকে কলে। নদীৰ কামত অনেক পবিত্ৰস্থানৰ অৱস্থান বুলিলোই নদী পবিত্ৰ হৈ নুঠে। উভয়ে পবিত্ৰ হোৱাৰ কাৰনে ভিন ভিন কাৰন আছে। গঙ্গা নদী পবিত্ৰ সেইটো জনাই প্ৰথম দৰকাৰ।

"ককা" তুমি কোৱা" চামেলীয়ে কলে।

চামেলী, মই কি কোৱা মই নেকি যে তাই তই বিষয়ে শুনিব বিচাৰো। তোমালোকে মোক কোৱা, মই শুনিম। ককা দেৱনাথ স্মৰন কৰি দিয়ে।

কিন্তু ককা আমি যে নজানো, সন্দীপে উত্তৰ দিয়ে।

চেষ্টা কৰা। যদি তোমালোকে নাজানা, তোমালোকৰ বন্ধু বা শিক্ষক সকলে জানিব পাৰে। যিমানটোৱে জানিব মোক কাইলৈ কবা। ককাই কলে দেবনাথে লবাছোবালীক নিৰাশকৰা নাই কাৰন তেওঁলোক ককাকৰ লগত ফুৰিবলৈ আহিছে তেওঁৰ ওচৰত উৎসহজনক কিছু কথা শুনাৰ বাবে কাৰন তেওঁলোকৰ জ্ঞান আৰু বুদ্ধি হোৱাৰ বাবে। নীল আৰু আমাজন, পৃথীবীৰ



এই দীৰ্ঘতম নদীদুটাৰ সম্বন্দৰ ককাই তেওলোকক কলে, কেনেকৈ ১৯৭১ চনত লোৰেন মেলনটায়াৰ নামে এক আমেৰিকান অভিযাত্ৰী আমাজন নদীৰ উৎস আবিষ্কাৰ কৰে।

এমন বৃহতম নদীৰ বিষয়ে মানুহ কি ভাবে অজ্ঞ থাকিব পাৰে? বিস্মায়ে প্ৰশ্ন কৰে চামেলী।

"বহুত বিষয় আছে যাৰ সম্বন্ধই আমি অলপমানহে জানো। সমস্যা, মানুহৰ ইমান তাৰ যে এইটো স্বীকাৰ কৰিব নোৱাৰো। মানুহ অভিৰ্ভাব হোৱাৰ বহুত আগতেই প্ৰকৃতি আছিল। সেই বোৰ নিজৰ মাজত সামঞ্জস্য নিজেই সৃষ্টি কৰিছে। মানুহ সেই বোৰৰ সৃষ্টি পাহাৰ পৰ্বত ভাঙিছে, নদীৰ গতি প্ৰবাহ লৈ আনন্দ কৰিছে, কিন্তু নাজানে ইয়াৰ পকিতি কি যে ভয়ানক হব পাবে কিন্তু আমাৰ পূৰ্ব্ব পুৰুষ সকলে পৰ্বত অথবা নদনদীক দেৱ দেৱী ৰুপে শ্ৰদ্ধা কৰে। প্ৰকৃতিৰ এই গোটেই বস্তুৰ পিছতেই এক সচেতন সত্তা আছে। এইটোৱেই আছিল প্ৰচীন ঋষিসকলৰ বিশ্বাস। কিন্তু সাধাৰন মানুহৰ বিশ্বাস যে, এনেকুৱা দেৱ-দেৱী মহান কাৰ্য সম্পন্ন কৰিবে ত্যাগে, পাহাৰ পৰ্বত, নদ-নদীক কেৱল মানুহে ভুক্তি কৰে। ককাই কলে।

কিন্তু এই দৃষ্টিভঙ্গীৰ পৰিবৰ্তন হল কেনেকৈ? সন্দীপ জানিব বিচাৰে।

মানুহ ক্ৰমশ বাবে ভোক্ত ভোগী হৈ উঠে। যিটোৱেই সহজ ভাবে পোৱা যায় সেইটোৱেই তাৰ উৎসাহ সৃষ্টি কৰে। যিকোনো বস্তুৱেই তাৰ কাৰনে ভুগতৃপ্তি বা আনন্দ আনি দিয়ে। যিখিনি তেওঁৰ দম্ভুক চৰিতাৰ্থ কৰে সেইটোৱেই তাৰ ওচৰত বিশেষ উল্লেখনীয় হৈ উঠে। মানুহে তাৰ অতীতক অৱঙ্গা কৰে, অবিজ্ঞ্য প্ৰজম্মৰ সম্বন্ধেওঁ উদাসীন। আবাহনকো দূষিত কবি তুলিচে। পুৰনি সুন্দৰ বনভূমি দ্ৰুত গতিত ধ্বংস কৰি পেলাইছে নদ-নদী অথবা অন্যান্য প্ৰাকৃতিক উৎসবোবক শোষন কৰি চলিছে।

তিনিওঁজনে ঘৰলৈ উভতি আহে। সন্দীপ আৰু চামলী অত্যন্ত গম্ভীৰ হৈ আছে। প্ৰকৃতিৱ বিৰুদ্ধে যে মানুহে আস্বাভাবিক আচৰন কৰে সেই বিষয়ে ককাৰ পবাহে শুনিছে গচাই চিন্তাৰ কথা।

মোৰ সম্পূৰ্ন বিশ্বাস যে, তোমালোকৰ প্ৰজম্মই মোৰ বা তোমাৰ পিতৃৰ সময়ৰ তুলনাত অনেক বেছি জ্ঞান কৰে। অবশ্যে উজ্জল ভবিষ্যতৰ কাৰনে তোমালোকৰ অতীতক জানিব লাগিব আৰু বুজিবওঁ লাগিব। মোৰ আশা, গঙ্গা সম্বন্ধে কালিনৈ আকৌ আলোচনা হব।

পিছদিনা আবেলি সন্দীপ আৰু চামেলী ককাৰ পঢ়াৰ ঘৰত উপস্থিত হয়। উভয়েই আনন্দ। দুয়োজনেই গঙ্গা নদীৰ বিষয়ে জানিছে। সন্দীপে কিতাব পঢ়ে আৰু চামেলী

তাইৰ এজান শিক্ষকৰ ওচৰত। দুয়োজনেই মিলি ককাক গঙ্গাৰ কাহিনী শোনায়।

প্ৰাচীন কালত আমাৰ দেশত সৰগ নামৰ এজন ৰজা আছিল । তেখেতে অশ্বমেধ যজ্ঞানুষ্ঠান সম্পন্ন কৰাৰ সিদ্ধান্ত লয়। যজ্ঞৰ বাবে এটি অশ্বক এৰি দিব লগীয়া হয় । যদি পৃথিবীৰ সমস্ত ৰাজ্য বিনা বাধায় ঘূৰি আহে তেকে তেন্তে সেই ৰজা সাৰ্বভৌম সম্ৰাট ৰূপে নিজকেই ঘোষনা কৰিব ।

কিন্তু এদিন হঠাৎ ৰহস্যজনক ভাবে সগৰ ৰজাৰ অশ্বটো নিৰুদ্দেশ হৈ যায় । বহুত অশ্বসন্ধান কৰাৰ পিছতো কোনো লাভ হোৱা নাই। পৃথিবীৰ কোনো টাইতেই অশ্বটোৰ সন্ধান নোপোৱাত ৰজাই তেওঁৰ পুতেকক আদেশ কৰে পাতালত গৈ অনুসন্ধান কৰিবলৈ। তেওঁলোকে পাতালত গৈ অশ্বটিৰ সন্ধান পায় । এটি স্তম্ভৰ লগত সেইটো বান্ধ খোৱা । সন্মুখত এজন ঋষি গভীৰ তপস্যাত মগ্ন । সগৰ ৰজাৰ পুতহ ঋষিক অশ্বচুৰ ৰূপে দোষাৰূপ কৰি উত্তেজিত কৰি তুলে। ঋষি ক্ষিপ্ত হৈ অভিশাপ দি পুত্ৰসকলক ভস্মীভূত কৰি পেলায় ।

ঋষিজন আছিল সম্পূৰ্ন ভাবে নিৰ্দোশ । দেৱৰাজ ইন্দ্ৰই সগৰ ৰজাৰ লগত কৌতুক কৰাৰ অভিপ্ৰায় কৰাৰ বাবে এই কাম কৰিছিল ।

ঋষি আছিল কপিল, অলৌকিক শক্তিৰ অধিকাৰী এক মহান মুনি অভিশাপ মুক্তকৰাৰ বাবে সগৰ ৰজাই একোৰেই কৰিব নোৱাৰিলে । আনকি তেওঁৰ উত্তৰাধিকাৰি পুত আশুমানেওঁ একো কৰিব নোৱাৰিলে ।

ৰজা দিলীপৰ পুতেক ৰাজপুত ভগীৰথ তেওঁৰ পূৰ্বপুৰুষ সকলক শাপমুক্ত কৰাৰ দৃঢ় সংকল্প গ্ৰহন কৰিছিল । দীৰ্ঘদিন কৰি কঠোৰ তপস্যাৰ পিছত তেওঁ কপিল মুনিক সাক্ষাৎ কৰে আৰু তেওঁৰ পূৰ্বপুৰুষ সকলৰ জীৱনদানৰ কাৰনে প্ৰাৰ্থনা কৰিছিল ।

যুৱক ৰাজপুত্ৰৰ প্ৰতি প্ৰসন্ন হয় মুনি । কিন্তু চৌষষ্টি হাজাৰ ৰাজপুত্ৰক ভস্মৰ স্তুপ হলে পুনৰ্জীৱন দান কৰা সহজ কথা নহয় । এই

অসম্ভৱটোক সম্ভৱকৰাৰ এটাই মাত্ৰ পথ স্বৰ্গৰ নদী পবিত্ৰ গঙ্গাক পৃথিবীকৈ লৈ আহা আৰু স্তূপীকৃত ভস্মৰ অপৰেদি প্ৰবাহিত কৰা হৈছিল।

স্বয়ং ব্ৰহ্মাৰ কমণ্ডলুৰ অভ্যন্তৰেই গঙ্গাৰ অৱস্থান। হিমালয় পৰ্বতত গভীৰ ধ্যানত ভগীৰথ ব্ৰহ্মাই উপাসনা কৰিছিল, গঙ্গাক প্ৰবাহিত কৰাৰ বাবে অনুমতি প্ৰদানৰ কাৰনে প্ৰাৰ্থনা কৰে। আকুল প্ৰাৰ্থনায় ব্ৰহ্ম প্ৰসন্ন হয়, প্ৰাৰ্থনা মঞ্জুৰ কৰে। কিন্তু গঙ্গাৰ অৱতাৰনৰ প্ৰবাহধাৰাক দি পৃথিবীয়ে ধাৰন কৰিব পাৰিব ? আনকোনো বিপত্তি নহয় যেন।

ভগীৰতৰ প্ৰাৰ্থনাত মহাদেৱ সন্তুষ্ঠ হয়। পৃথিবীৰ ওপৰত থিয় হৈ গঙ্গাৰ প্ৰবাল প্ৰপাতৰ জলপ্ৰবাহক নিজৰ জটাজলৰ মাজত ধাৰন কৰিবলৈ সম্মত হয়। গঙ্গা প্ৰথমে নামি আহে তেওঁৰ মঙ্কৰ উপৰত, তাৰপিছত ধীৰগতিত পৰ্বতৰ শিলৰাশিৰ ওচৰত নামি একা বেকাকৈ ছলিবলৈ আৰম্ভ কৰে সমতলৰ ফালে।

ৰাজকুমাৰ ভগীৰথ শঙ্ক বজাই গঙ্গাৰ এটি ধাৰাক পাতালৰ ফালে লৈ যায়। তেওঁৰ পূৰ্বপুৰুষ সকলৰ স্তূপীকৃত ভস্মৰ ওপৰত স্বৰ্গৰ পবিত্ৰ প্ৰবাহ ধাৰা পৰে, তাৰ স্পৰ্শত ভস্মীভূত পূৰ্বপুৰুষ সকলে প্ৰানলাভ কৰে সেই মুহুৰ্ত্ততেই।

সন্দীপ আৰু চামেলী কাহিনী কোৱাৰ শেষত সন্দীপে কলে, গঙ্গা পবিত্ৰ কাৰন এই নদী স্বৰ্গৰ নদী, কাৰন সগৰ ৰজাৰ সন্তান সকলক পূৰ্নজীৱন দিছে।

"তোমালোকে যি ভাবে কাহিনীৰ বৰ্ননা দিয়া সেয়া সচাই প্ৰশংসনিয়। তেকে, গঙ্গা অৱতৰনেৰতোৰু এটা আখ্যান আছে যিটো বেছি প্ৰচলিত নহয়। মৰ্ত্যভূমিত অৱতাৰনৰ পূৰ্বে দঙ্গাব মূল উৎস সম্বন্ধে জনা যায় তাতেই। গঙ্গাব পবিত্ৰতাৰ বিষয়ে আৰু জনা যায় ইয়াব মাজত। অৱশে মনত ৰাখিব যে আখ্যানটো প্ৰতীকাত্মক। গঙ্গাৰ স্পশই মৃত্যু সকলৰ পূৰ্নজীৱন প্ৰাপ্তিব বাবে স্বৰ্গৰ কৰুনাধাৰা মৃতুবে অণ্ডি শাপক মাছি পেলাইছে। কৰা দেৱনাথে কলে তেওঁ লোখক।

চামেলী আৰু জানিব বিচাৰে আৰু সুধিৰ বিচাৰিছে যে, "গঙ্গাৰ মূল উৎস সম্পৰ্কৰ আখ্যান কি হল?

"কম কোন সময়ত" অধ্যাপক দেবনাথে কলে। (ক্ৰমশ)



ভাল হোৱাৰ ফল

বীৰভদ্ৰৰ মা-দেউতা কোনো নাই। সি যেতিয়া সৰু আছিল, তেতিয়াই দুয়োৰ মৃত্যু হয়। অনাথ শিশু বীৰভদ্ৰক তাৰ ককাদেউতা ৰাঘৱ নিজৰ ওচৰত আনি ৰাখে, ডাঙৰ দীঘল কৰি তুলে। মা-দেউতাৰ স্নেহ - ভালপোৱা নোপোৱাৰ বাবে ককাদেউতাৰ স্নেহ সি বেচি পায়। তাৰ সকলো চাহিদা ককাদেউতা ৰাঘৱে পূৰ্ন কৰে, মাকৰ স্নেহ দি তাক ভালপায়। ডাঙৰ হোৱাৰ পাছত তাক কোনো কামৰ কথা ৰাঘৱে নকয়। ইয়াৰ বাবে সি বৰ এলেহুৱা হৈ উঠিছে। পঢ়ালিখাত অলপো মন নাই; সি অশিক্ষিত থাকি যায়।

ৰাঘৱে তাৰ আধা একৰ জমিত বেলেগ বেলেগ শাক পাচলি লগায়। সেইবোৰ বেচি যি আহে সেইবোৰ লৈ দুয়ো খাই-মেলি থাকে। ৰাঘৱে অকলে তাৰ পথাৰত গোটেই দিনটো কষ্ট কৰে। বীৰভদ্ৰ ডাঙৰ হোৱাৰ পাছতও ককাদেউতাক কেতিয়াও সাহায্য নকৰে।

ৰাঘৱৰ বয়স হয়; বৰ পৰিশ্ৰম কৰাৰ ফলত তেঁওৰ স্বাস্থ্য ভাঙি যায়। আগৰ নিচিনা আৰু পৰিশ্ৰম কৰিব নোৱাৰে। তাৰ বাবে লাহে লাহে পথাৰত শাক-পাচলিৰ উৎপাদনও কমি আহে। আয় কমি আহে। এনেদৰে এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হয় যে জমা ৰখা টকা-পইচা সকলো ওলাই যায়।

আনফালে, বীৰভদ্ৰ ককাদেউতাৰ লগত পথাৰৰ কামত তো সাহায্য নকৰে, তাৰোপৰি, গাঁওৰ মানুহৰ ওচৰত ধাৰ লবলৈ আৰম্ভ কৰি দিয়ে। ৰাঘৱৰ মুখ চাই গাওঁৰ মানুহে প্ৰায় সকলোৱে ধাৰ দিছে, কিন্তু পাছত তাৰ এলেহুৱা স্বভাব চাই তাক টকা-পইচা দি সাহায্য কৰা বা ধাৰ দিয়া বন্ধ কৰি দিয়ে।

গাঁওৰ মানুহৰ পৰা টকা-পইচা নোপোৱাৰ বাবে তাৰ লগৰীয়া হতক, ভয় দেখুৱাই বা বলপ্ৰয়োগ কৰি টকা-পইচা লয়। ককা-দেউতাৰ হাতত ডাঙৰ - দীঘল হৈছে, খোৱাবোৱাও পাইছে, দেহৰ গঠনও ভাল। দুই - চাৰিজনক অকলে মোকাবিলা কৰাৰ শক্তি তাৰ আছিল। তাৰ বাবে গাঁওৰ যুবকসকলে ভয়ত যি বিচাৰিছিলে তাকেই দিছিলে, আৰু নিদিলেই মাৰিছিল। লাহে লাহে সেইটোৱেই তাৰ আয়ৰ পথ হৈ ওঠে। ভয় দেখুৱাই টকা-

নাৰায়ন দত্ত

পইচা লোৱা। আৰু গাঁওৰ ইফালে - সিফালে ঘুৰি ফুৰিছিল। ভুখ লাগিলে কৰবাত খাই লয়, ৰাতি মন্দিৰত বা সৰাইখানাত শুয়। ককাদেউতাৰ ওচৰত যোৱা বন্ধ কৰে। ককাদেউতাৰ মনত দুখ লাগে। চিন্তা কৰে, বেচি স্নেহ বলপোৱা দিয়াৰ বাবে এনে হৈ উঠিছে বীৰভদ্ৰই।

এদিনাখন ৰাতি এজন যুবক সৰাইখানাত আহে বীৰভদ্ৰক মাৰিবলৈ। তাতে শুই আছিল এটা কুকুৰ। যুবকক দেখি সেইটো চিঞৰিবলৈ, আৰম্ভ কৰে, বীৰভদ্ৰৰ টোপনি ভঙি যায়। যুবকক দেখি চিনিবলৈ পায়। তাক আগত এদিনাখন বীৰভদ্ৰে বৰ মাৰিছিল, তাৰ প্ৰতিশোধ লবলৈ আহে যুবকজনে। দুয়োৰ কাজিয়া শুনি সৰাইখানাৰ বেলেগ মানুহে ওঠি দুয়োক থমায়।

সেই দিনাখনৰ পৰা কুকুৰটো বীৰভদ্ৰৰ প্ৰিয় বন্ধু হৈ ওঠে, একেলগে থাকে। বীৰভদ্ৰে কুকুটটোক বৰ ভালপায়, ইয়াক ভাল খাবলৈ দিয়ে। বৰ শক্তিশালী হৈ ওঠে, বীৰভদ্ৰে বাঘা নামেৰে মাতে।

লাহে লাহে বীৰভদ্ৰৰ স্বভাব আৰু বেয়া হৈ থাকে। কাষৰ গাঁওৰ সাপ্তাহিক হাটৰ গৈ দোকানদাৰ সকলৰ পৰা টকা-পইচা লবলৈ অৰম্ভ কৰে। যোনে নিদিয়ে, তাক গালি দিয়ে আকৌ মাৰে। গাঁওৰ কিছুমান বেকাৰ যুবক তাৰ নতুন বন্ধু হৈ ওঠে, তাৰ লগত ভাগ বহুৱায় আদায়ৰ কামত। মানুহে সিঁহতক ভয় কৰে, আহিলে মনে মনে টকা দি দিয়ে। লগত ঘুৰিফুৰে বাঘা। ফলত উপাৰ্জনও বাঢ়ি যায়। ককাদেউতাকক পাহৰি যায়।

এদিনাখন কাবোবাৰ মুখত শুনিবলৈ পায়, ককাদেউতাৰ বৰ অসুখ হৈছে। তেতিয়া বীৰভদ্ৰয় তেঁও দেখিবলৈ যায়। ৰাঘবে বহুদিনৰ পাছত নাতিক দেখা পাই বৰ খুচি হয়।

সকলো পাহৰি তাক ধৰি আদৰ কৰি ৰাঘবে কলে, "আৰ মোৰ সময় নাই। এতিয়া অকল মৃত্যুৰ অপেক্ষাত আছো। কিন্তু তোমাৰ চিন্তা মোক খাই পেলাইছে। এতিয়া কাম কৰিবলৈ আৰম্ভ কৰা। গোটেই জীৱন আনন্দত গুচি যাব।"

"ককাদেউতা, মোৰ চিন্তা নকৰিবা। জীবন কটোৱাৰ বাবে টকা-পইছা মোৰ আছে।" বীৰভদ্ৰই হাঁহি কলে।

বীৰভদ্ৰৰ বিষয়ে সকলো গম পাইছিল ৰাঘবে। তাক বুজাই কলে, "অসঙ্গত অন্যায় উপায়ত টকা-পইচা উপাৰ্জন সকলো সময়ত কামত নালাগে। প্ৰকৃতপক্ষে, অৰ্থ মানুহৰ আচল উপাৰ্জন নহয়। আচল উপাৰ্জন হ'ল, ভাল স্বভাব। ইয়াৰ ফলত যি উপাৰ্জন হয় সেয়াই

আচল টকাপইচা। প্ৰকৃত মানুহ যোনবিলাকে, বিপদৰ সময়ত সিহঁতে দুটা বস্তু ৰক্ষা কৰে, সেইটো তাৰ সৎস্বভাব, আৰু তাৰে উপাৰ্জিত টকা পইচা। তোমাৰ ওচৰত যি টকা পইচা আছে সেইবোৰ তোমাক বিপদৰ পৰা ৰক্ষা কৰাৰ পৰিবৰ্তে আৰু বিপদৰ মাজত পেলাব। সেই টকা-পইচাৰ ওপৰত নিৰ্ভৰ নকৰিবা। যি এন্ধাৰত সুমাইছা তাৰ পৰা ওলাই আহা।"

এইবোৰ পৰামৰ্শ বীৰভদ্ৰয় মানি নলয় সেয়া ৰাঘবে ভালদৰে জানে। তথাপি বৰ ভালমানুহ ৰাঘবৰ আশা যদি পৰিবৰ্তন ঘটে। ককাদেউতাৰ পৰামৰ্শ তাৰ ওচৰত মূল্যহীন নীৰস।

কেইদিনমানৰ পাছত ওচৰত গাঁওৰ এটা শক্তিশালী কুকুৰ বাঘাৰ ওপৰ জপিয়াই পড়ে। দুটাই বৰ কামোৰা কামোৰি কৰে। বাঘায় নোৱাৰে, প্ৰান হেৰুৱায়। বাঘাৰ মৃত্যু বীৰভদ্ৰক বৰ আঘাত দিয়ে। কুকুৰটোৰ শোকত বীৰভদ্ৰই বৰ আঘাত পায়। তাৰ বাবে সি কেইদিনমান নাখায়, সদায় কাঁন্দি থাকে, যেন লাগে তাক ৰক্ষা কৰিবলৈ কোনো নাই। কতো নাযায়, কোনো এটা মন্দিৰৰ কোনাত পড়ি থাকে।

ৰাঘবে জানিবলৈ পায়। অসুখ লৈ ওলাই আহে নাতিৰ বাবে। তাক মন্দিৰৰ পৰা ঘৰত লৈ যায়। খোৱাৰ বাবে কলে তাক, "চোৱা বীৰভদ্ৰ, খোৱাবোৱা এড়ি গাটোক কষ্ট দি কোনো লাভ নাই। খোৱাবোৱা কৰা। অন্যায় কাম কৰিবলৈ বন্ধ কৰা। গুণ্ডামি এৰি দিয়া। মানুহৰ অভিশাপ অকল লৈছা। যি কুকুৰৰ ওপৰত তুমি ইমান নিৰ্ভৰ কৰিছিলা, সেই বাঘা মৰি গ'ল। কালি তোমাৰ গাৰ অৱস্থাও এনেকুৱা হব। শাৰীৰিক বলৰ ওপৰত ভৰসা কৰা যিমান মূৰ্খতা, তেনেকুৱা অন্যায়থত

কমোৱা ধনৰ ওপৰত নিৰ্ভৰ কৰা মূৰ্খতা। অকল নিজৰ সৎ - স্বভাবৰ ওপৰত নিৰ্ভৰতা দৰকাৰ। মই বাৰ বাৰ তোমাক কৈছো। এতিয়াও সময় আছে।"

ককাদেউতাৰ কথা শুনি বীৰভদ্ৰই খায় কিন্তু কেইদিন মান ঘৰৰ পৰা নোলায়। ককাদেউতাৰ কথাখিনি চিন্তা কৰি থাকে। গোটেই দিনে-ৰাতি মনে মনে। ককাদেউতাৰ কথাখিনি তাৰ মনৰ পৰিবৰ্তন আনে।

এদিনা, সিহঁতৰ ওচৰ - চুবুৰীয়া জগতৰ জ্বৰ হোৱাৰ পাছতও আবেলি পথাৰত গৈ আছিলে। তেঁওৰ ঘনীয়েক আৰু কন্যায় বৰ বাধা দিয়ে তাক। কিন্তু জগতৰ ভয়, জমিৰ ফসল কোনোবায় কাটি চুৰি কৰি লৈ যাব, তাৰ বাবে জমিখিনিত যাবলৈ বিচাৰিছে।

বীৰভদ্ৰয় তাৰ ঘৰৰ দৰজাত বহি দেখি আৰু

শুনি আছিল। জগতৰ বাবে দয়া হয়। এই জ্বৰৰ মাজত জমিত যোৱা ঠিক নহব কোনো মতেই, বীৰভদ্ৰই সেয়া অনুভব কৰে। জগৎতক সাহায্য কৰিবলৈ মন যায়; সি সিহতৰ লগৰ ঘৰৰ। শেষত জগতৰ ওচৰত গৈ কলে, "জগৎ খুড়া, আপোনি আৰাম কৰা। মই গৈ আছো জমিত। আপোনাৰ অসুখ, মই ভালেই আছো, "জগতৰ ছোৱালীয়ে ভিতৰৰ পৰা সোনকালে ওলাই ৰাতিৰ বাবে খোৱা দিয়ে বীৰভদ্ৰৰ হাতত। বীৰ ভদ্ৰৰৰ হঠাৎ এই পৰিবৰ্তন দেখি ৰাঘৱ আৰু জগৎ দুয়ো বৰ খুচি হয়।

পাছদিনাখন দুপুৰীয়া হৈ যায়। বীৰভদ্ৰই উভতি অহা নাই। তাৰবাবে ৰাঘৱে যায় জগতৰ পথাৰত। দেখিবলৈ পায়, এটা চোকত আধামৰা অবস্থাত বীৰভদ্ৰই পড়ি আছে। নাতিৰ অবস্থা দেখি ৰাঘৱে চিঞৰি ওঠে, আনৰ সহায়ত ঘৰত লৈ আহে।

জগতৰ এটা দূৰৰ চিনাকী মানুহে তেঁওৰ ছোৱালী সুচেতাক বিয়া কৰিবলৈ বিচাৰে জমিটো পোৱাৰ বাবে। কিন্তু জগৎ এ এই বিয়াত একমত নহয়। তাৰবাবে সেই আত্মীয় জগতক খুন কৰি তাৰ পাছত জমিটো লৈ লব বিচাৰে। জগতৰ মৃত্যুৰ পাছত কামটো কঠিন নহব। এই চিন্তা কৰি কিছুমান মানুহ লৈ জগতৰ জমিত যায়, জানে জগতে জমিত শুব আহিব।

বীৰভদ্ৰয় ৰাতি শুৱা নাই। তাৰ বাবে সেই মানুহৰ মোকাবিলা কৰিব পাৰে। যেতিয়া সেই চিনাকী মানুহজনে গম পায় যে, জগত নহয় বেলেগ কোনোবা; তেতিয়া তাক মাৰে কিন্তু হত্যা নকৰে।

এই ঘটনাটো বীৰভদ্ৰৰ জীবনৰ গতি ঘুৰাই দিয়ে। এটা মহান ত্যাগৰ নমুনা এইটো। বীৰভদ্ৰৰ চিকিৎসাৰ বাবে ব্যবস্থা কৰে জগতে, সুচেতায় দিনে ৰাতিয়ে সেবা কৰে। বীৰভদ্ৰৰ ওপৰত সকলোৰে মনত যি ঘৃনাভাব আছিল তাত স্নেহ ভালপোৱা আহি ঠাই লয়।

বীৰভদ্ৰই সুস্ত হৈ উঠিলে তাক ৰাঘৱে কলে, "ককাদেউতা, জগৎ তেঁওৰ ছোৱালী সুচেতাৰ লগত তোমাৰ বিয়া দিবলৈ বিচাৰ, সাত একৰ জমিও দিব। মই সম্পতি জনাইছো।

"অকনমান ভাল কামৰ ফল ইমাননি? তুমি ঠিকই কৈছিলা আমাক। আৰু কেইদিনামানৰ পাছত কি বিয়া পাতিব নোৱাৰি? বিয়া কৰিলেও অন একো নিবিচাৰো - তোমাৰ জমি তো আছে।" নাতিৰ কথা শুনি ককাদেউতায় তাক সবটি ধৰে। দুয়োৰে চকুয়েদি পানী ওলাই আহে।

কাবেৰী - নদীৰ ওচৰত - ৬

মন্দিৰ আৰু কথা

ৰচনা : জয়ন্তী মহালিঙ্গম   চিত্ৰ : গৌতম সেন

সালেমৰ দক্ষিন পশ্চিম ফালে ভবানী চহৰটো আছে। এই চহৰৰ নামটো হ'ল ভবানী নদীৰ পৰা; কেৰালাৰ বাল্লুবানাৰ পাহাড়ৰ পৰা উৎপন্ন হৈ তমিলনাডুৰ কোয়েম্বেটৰ আৰু এৰোড জিলাৰ ওপৰেদি ২১৭ কি.মি. প্ৰবাহিত হৈছে। গোটেই বছৰ ধৰি এই নদীত পানী থাকে। প্ৰবাহপথত বহুতো সৰু সৰু নদী আহি ইয়াত আহি পড়ে, যেনে, সিৰুবানী চিতাৰ, কুন্নুৰ, কুণ্ডা আৰু মোয়াৰ।

যিঠাইত ভবানী নদী কাবেৰীৰ লগত একেলগ হৈছে সেইটো এটা পবিত্ৰ ঠাই . বিশ্বাস, বেলেগ বেলেগ সংগমঠাইৰ নিচিনা আমুদা নামেৰে তৃতীয় এটা অদৃশ্য অন্তঃসলিলা নদী আন দুটা নদীৰ লগত ইয়াত মিলিছে। মানুহে কয় যে, অসুৰহতৰ হাতৰ পৰা বচাবলৈ এটা বটলত অমৃত ভবানীৰ অভ্যন্তৰত লুকাই ৰাখিছিল ঋষি পৰাসৰ। বহু বছৰৰ পাছত সেইঠাইত আহি দেখিবলৈ পায় গোটেইখিনি এটা শিবলিঙ্গত পৰিনত হৈ গৈছে। পৰাসৰ ঋষিয়ে সিটোক তুলিবলৈ চেষ্টা কৰে, কিন্তু নোৱাৰে। ফলত লিঙ্গৰ পৰা ও পানী ওলাই থাকে, তাতেই অমুদা নদী উৎপন্ন হৈ মিলিছে সংগমঠাইত। ভবানী সংগমেশ্বৰৰ মন্দিৰ তামিলনাডুৰ ডাঙৰ

ভবানী সংগমেশ্বৰৰ মন্দিৰ

পৰাশৰ মুনি শিবলিঙ্গম তোলবাৰ চেষ্টা কৰছেন

শিবমন্দিৰ। এই মন্দিৰ দক্ষিন প্ৰয়াগ দক্ষিনবদ্ৰী আৰু ত্ৰিবেনী সংগমম নামেৰে জনাজাত।

শংখগিৰি, তিৰু-চেনগোডু, পদ্মাগিৰি আৰু দেগিৰি নামেৰে চৰিটা পাহাড়ী মন্দিৰ ইয়াৰ চাৰিওফালে আছে।

